www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, NOVEMBER 07, 2024 ■ বৃহস্পতিবাৰ, ২১ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৪ Guwahati, Assam ।। মূল্যঃ এটকা

## দিল্লী কঁপাব আহোম সংগঠনে

**ই-সংবাদ, ৬ নৱেম্বৰঃ** হিমন্ত বিশ্ব শৰ্মা চৰকাৰে তিনি বছৰ পাৰ কৰি চাৰিটা বছৰত ভৰি ২ পৃষ্ঠাত চাওক

### ১৩২ বছৰীয়া ইতিহাসৰ পুনৰাবৃত্তি ■ হিলাৰীৰ পিছত হেৰিছক হৰুৱালে ড’নাল্ডে

# ‘ৰঙা ধুমুহা’ত বিধ্বস্ত কমলা, হোৱাইট হাউছলৈ আকৌ ট্ৰাম্প




**নিউয়ৰ্ক, ৬ নৱেম্বৰঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ‘ৰঙা ধুমুহা’ত বিধ্বস্ত হৈ পৰিছে ডেম’ক্ৰেটৰ কমলা হেৰিছ। ৰাজনৈতিক প্ৰত্যাবৰ্তনেৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ইতিহাসত এক অনন্য নজিৰ গঢ়িবলৈ সক্ষম হ’ল ড’নাল্ড ট্ৰাম্প। বিশ্বৰ মহাশক্তিশালী দেশখনৰ মহাশক্তিশালী নেতা হিচাপে পুনৰ এবাৰ শেষাংশ ২ পৃষ্ঠাত

## ট্ৰাম্পৰ বিজয়, সোঁপন্থীৰ উত্থান

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



২০২০ চনৰ নিৰ্বাচনত ডেম’ক্ৰেটিক প্ৰাৰ্থী জ’ বাইডেনৰ হাতত পৰাস্ত হৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি পদ এৰিব নিবিচৰা মানুহজন পুনৰাই ২০২৪ চনত শেষাংশ ৩ পৃষ্ঠাত

## গুৱাহাটীত ৩ বছৰত কাটিলে ৩ হাজাৰ গছ

**ই-সংবাদ, ৬ নৱেম্বৰঃ** গ্লেমাৰ থকা আন্দোলনতহে ভিৰ কৰে গুৱাহাটীৰ মানুহে। শিল্পী, সাহিত্যিক বুদ্ধিজীৱি ভৰি পৰে। গ্লেমাৰ নাথাকিলে আন্দোলনৰ আৰম্ভণি বা আন্দোলন কৰিব নোৱাৰে গুৱাহাটীৰ একাংশ নাগৰিকে। ইতিপূৰ্বে গুৱাহাটীৰ বিভিন্ন এলেকাৰ গছ কাটি তহিলং কৰিছিল যদিও গুৱাহাটীৰ নাগৰিক ঘৰৰ পৰা ওলাই নাহিল। বিগত ৩ বছৰত গুৱাহাটীত মহানগৰীত ৩ হাজাৰ জোপা শেষাংশ ৫ পৃষ্ঠাত

## কৰিমগঞ্জত ডিএছপি জাবিৰৰ ভয়ংকৰ কাণ্ড!

**ই-সংবাদ, ৬ নৱেম্বৰঃ** বহু মহিলাৰ ভিডিঅ’-ফটো দেখুৱাই মানুহক প্ৰৱঞ্চনা কৰা ভুৱা আৰক্ষী বিষয়া গ্ৰেপ্তাৰ হোৱাৰ শেষাংশ ৬ পৃষ্ঠাত

## জধে-মধে বুলডজাৰ চলাই বিপদত যোগী, ক্ষতিগ্ৰস্তসকলক ২৫ লাখকৈ দিবলৈ নিৰ্দেশ

**নতুন দিল্লী, ৬ নৱেম্বৰঃ** জধে-মধে বুলডজাৰ চলাই পুনৰ কাঠগড়াত উঠিল যোগী চৰকাৰ। পথ নিৰ্মাণৰ বাবে অবৈধভাৱে বুলডজাৰ চলাই ঘৰ ভঙাক লৈ বুধবাৰে উত্তৰ প্ৰদেশ চৰকাৰক সমালোচনা কৰে উচ্চতম শেষাংশ ৪ পৃষ্ঠাত



দোষমুক্ত অমৰ ওৰফে অৰূপ

## ’৯৬ৰ মন্ত্ৰী নগেন নেওঁগ হত্যাৰ গোচৰত ছুপ্ৰিম ৰায় প্ৰদান

**ই-সংবাদ, ৬ নৱেম্বৰঃ** বৰ্তমানৰ মন্ত্ৰী তথা গোলাঘাটৰ বিধায়িকা অজন্তা নেওগৰ স্বামী নগেন নেওগৰ হত্যাকাণ্ডক লৈ শেষাংশ ২ পৃষ্ঠাত

## এলএমভিৰ লাইচেন্স হ’লেই ট্ৰাক চলিব!

**নতুন দিল্লী, ৬ নৱেম্বৰঃ** এতিয়াৰে পৰা মালবাহী গাড়ী চলাবলৈ চালকসকলক শেষাংশ ৪ পৃষ্ঠাত


## কেএমচিত প্ৰথমবাৰৰ বাবে মৰণোত্তৰ দেহদান

**ই-সংবাদ, কোকৰাঝাৰ, ৬ নৱেম্বৰঃ** ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত আজি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত প্ৰথমবাৰৰ বাবে মৰণোত্তোৰ দেহদান প্ৰক্ৰিয়া সম্পন্ন হয়। বঙাইগাঁও ৱাৰ্ড নম্বৰ-চাৰিৰ এনএচ ৰোডৰ বাসিন্দা তুষাৰকান্তি দাস(৭৬)ৰ মৃতদেহ আজি তেওঁৰ পৰিয়ালবৰ্গই চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আনুষ্ঠানিকভাৱে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ক হস্তান্তৰ কৰে। শেষাংশ ৫ পৃষ্ঠাত

## পাঁচ এচিএছক নিলম্বন আয়োগৰ


**ই-সংবাদ, ৬ নৱেম্বৰঃ** নিৰ্বাচনী বিভাগৰ ৰোষত পৰিছে অসমৰ ৫ ৰাজপত্ৰিত বিষয়া। নিৰ্বাচনী আয়োগে দিয়া শেষাংশ ৩ পৃষ্ঠাত

## বুলেট ট্ৰেইনৰ নিৰ্মীয়মান দলং খহি গুজৰাটত এজনৰ মৃত্যু






**আহমেদাবাদ, ৬ নৱেম্বৰঃ** বুলেট ট্ৰেইনৰ বাবে নিৰ্মাণ কৰি থকা এখন ব্ৰীজ খহি পৰি এজনৰ মৃত্যুৰ লগতে আহত হৈছে বহু লোক। মঙলবাৰে সন্ধিয়াৰ ভাগত শেষাংশ ৪ পৃষ্ঠাত



পৰাজয়ৰ পিছত শূন্য হৈ ৰৈছে হেৰিছৰ সভাস্থলী

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ৰঙা ধুমুহা’ত বিধ্বস্ত কমলা, হোৱাইট

নিৰ্বাচিত হ’ল ৰিপাব্লিকান পাৰ্টিৰ নেতাগৰাকী। ২০১৬ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়ী হৈ হোৱাইট হাউচত প্ৰৱেশৰ অনুমতি লাভ কৰা ৰঙা দল হিচাপে খ্যাত ৰিপাব্লিকান পাৰ্টীৰ ট্ৰাম্পে ২০২০ৰ নিৰ্বাচনত ডেম’ক্ৰেট জো বাইডেনৰ হাতত পৰাস্ত হ’বলগীয়া হৈছিল। কিন্তু এইবাৰ প্ৰত্যাৱৰ্তন ঘটাই পুনৰ এবাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছে ট্ৰাম্প। ডেম’ক্ৰেটিক পাৰ্টিৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছক পৰাস্ত কৰি হোৱাইট হাউচত প্ৰৱেশ কৰিছে ডোনাল্ড ট্ৰাম্পে। আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে ফ্ল’ৰিডাত বিজয় ভাষণ দিবলৈ ট্ৰাম্পৰ কাষত থিয় দিয়া আমেৰিকাৰ ভৱিষ্যত উপ-ৰাষ্ট্ৰপতি জে ডি ভ্যান্সে কয়, "আমি দেশৰ ইতিহাসত সৰ্ববৃহৎ ৰাজনৈতিক প্ৰত্যাৱৰ্তনৰ সাক্ষী হৈছো।" এই জয়ত উল্লাসিত হৈ ট্ৰাম্পে কয় যে আমি আমাৰ সমালোচকসকলক ভুল প্ৰমাণিত কৰিলোঁ।" নিজৰ ভাষণত ট্ৰাম্পে পুনৰ অনুপ্ৰৱেশ বন্ধৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কয়, "আমি সীমামৃত সম্পূৰ্ণৰূপে বন্ধ কৰি দিম। অনুপ্ৰৱেশ তেতিয়া বন্ধ হৈ পৰিব।" ইয়াৰ পিছতে "আমেৰিকাক পুনৰ শ্ৰেষ্ঠ হিচাপে গঢ়ি তোলা হ’ব" শীৰ্ষক শ্ল’গান আওৰাই ট্ৰাম্পে। উল্লেখ্য যে, আঠ বছৰ পূৰ্বে ২০১৬ চনত ডেম’ক্ৰেটিক দলৰ প্ৰাৰ্থী হিলাৰী ক্লিন্টনক পৰাস্ত কৰি ট্ৰাম্পে প্ৰথমবাৰৰ বাবে হোৱাইট হাউছত প্ৰৱেশৰ অনুমতি লাভ কৰিছিল। কিন্তু চাৰি বছৰৰ পাছত ২০২০ চনত ডেম’ক্ৰেট জো বাইডেনৰ হাতত পৰাস্ত হয়। ইয়াৰ পিছত ইটোৰ পিছত সিটোকৈ কেইবাটাও বিতৰ্কত নাম সাঙোৰ খাই পৰে ট্ৰাম্পৰ। কিন্তু তৎসত্বেও পৰাজয়বৰণ নকৰি পুনৰ যুদ্ধক্ষেত্ৰত নমাৰ সিদ্ধান্ত লয় ট্ৰাম্পে। ৰিপাব্লিকান পাৰ্টিত তেওঁ আন প্ৰতিদ্বন্দ্বীক নিৰ্মূল কৰি ডেম’ক্ৰেট দলৰ সৈতে মুখামুখি হয়। নিৰ্বাচনী যুদ্ধৰ অন্তিম পৰ্যায়ত ডেম’ক্ৰেটিক পাৰ্টিৰ প্ৰাৰ্থী তথা আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছক পৰাস্ত কৰি বিজয়ৰ পুনৰ এবাৰ সোৱাদ লাভ কৰে ট্ৰাম্পে। প্ৰণিধানযোগ্য যে, পৰাজয়ৰ পিছত পুনৰ প্ৰত্যাৱৰ্তনৰ নজিৰ গঢ়া ট্ৰাম্প হৈছে আমেৰিকাৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি। তেওঁৰ পূৰ্বে প্ৰায় ডেৰ শতিকা পূৰ্বে এই একেই নজিৰ গঢ়িছিল ডেম’ক্ৰেট গ্ৰভাৰ ক্লিভলেণ্ডে। ১৮৮৪ চনত সংকীৰ্ণ ব্যৱধানত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল ক্লিভলেণ্ড। কিন্তু ১৮৮৮ চনত তেওঁ জনতাৰ প্ৰত্যক্ষ ভোট হেৰুৱাই নিৰ্বাচনত পৰাজিত হয়। ইয়াৰ পিছতে পৰৱৰ্তী নিৰ্বাচনত প্ৰত্যাৱৰ্তন ঘটে ক্লিভলেণ্ডৰ। ১৮৯২ চনত ৰিপাব্লিকান দলৰ প্ৰতিদ্বন্দ্বী বেঞ্জামিন হেৰিছনক পৰাস্ত কৰি পুনৰবাৰ হোৱাইট হাউচত প্ৰৱেশ কৰে গ্ৰভাৰ ক্লিভলেণ্ডে। এই ঘটনাৰ সম্পূৰ্ণ ১৩২ বছৰ পিছত পুনৰ এবাৰ পৰাজিত হৈও প্ৰত্যাৱৰ্তনৰ নজিৰ গঢ়িবলৈ সক্ষম হৈছে ডোনাল্ড ট্ৰাম্পে। মন কৰিবলগীয়া যে, যোৱা চাৰে তিনি দশকত আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে আঠ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰা ৰাষ্ট্ৰপতিসকল হৈছে জৰ্জ ডব্লিউ বুছ (ছিনিয়ৰ), বিল ক্লিণ্টন, জৰ্জ ডব্লিউ বুছ (জুনিয়ৰ), আৰু বাৰাক ওবামা। ২০২৮ চনলৈকে কাৰ্যভাৰ সম্পূৰ্ণ কৰিব পাৰিলে এই তালিকাত নাম সন্নিৱিষ্ট হ’ব আশীৰ দুৰাৰডলিত ভৱি দিয়া ডোনাল্ড ট্ৰাম্পৰো। সম্প্ৰতি ট্ৰাম্পৰ বয়স হৈছে ৭৮ বছৰ। ইফালে, দ্বিতীয় বিজয়তো এগৰাকী মহিলাৰ বিৰুদ্ধে জয়ী হয় ট্ৰাম্প। বিপৰীতে পুৰুষৰ হাতত বিগত নিৰ্বাচনত পৰাস্ত হৈছিল ট্ৰাম্প। এই বিষয়টোৱেও সেয়ে সংবাদ মাধ্যমত চৰ্চা লাভ কৰা দেখা গৈছে। আজি ট্ৰাম্প পুনৰ ৰাষ্ট্ৰপতি হোৱাতো নিশ্চিত হৈ পৰাৰ লগে লগে বিশ্বৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰপ্ৰধানে তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। ট্ৰাম্পৰ বন্ধু হিচাপে পৰিগণিত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজয়ৰ শুভেচ্ছা জ্ঞাপন কৰি পুনৰ একেলগে কাম কৰিবলৈ পাব বুলি মন্তব্য কৰে। একেদৰে দীৰ্ঘদিন ধৰি মৌন হৈ থকাৰ অন্তত বাংলাদেশৰ নিৰ্বাসিত প্ৰধানমন্ত্ৰী শ্বেখ হাছিনায়ো ট্ৰাম্পক বিজয়ৰ বাবে অভিনন্দ জনায়। তেওঁ ট্ৰাম্পৰ যে অসাধাৰণ নেতৃত্ব দিব পৰা গুণ আছে সেয়া পুনৰ প্ৰমাণিত হ’ল বুলি মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লী কঁপাব আহোম সংগঠনে

দিয়াত তিনি বছৰৰ মূৰকত পুনৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণক লৈ সৰৱ হৈছে কেইবাটাও সংগঠন। ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে পুনৰ সক্ৰিয় হৈছে জনজাতিকৰণ দাবী কৰা কেইবাটাও সংগঠন। আজি গুৱাহাটী এখন সংবাদমেল পাতি টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ তথা বিজেপিক দলক জনজাতিকৰণৰ বাবে সময় সীমা বান্ধি দিয়ে। টাই আহোম ছাত্ৰ সন্থাই স্থিতি স্পষ্ট কৰি কয় যে শীঘ্ৰে ৬ জনগোষ্ঠীৰ জনজাতিকৰণ কৰক। ৬ জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্য্যদা নিদিলে নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে থিয় দিব আটাছুৱে। দিছপুৰ প্ৰেছ ক্লাৱত সংবাদমেল সম্বোধন কৰি আটাছুৰ সভাপতি বসন্ত গগৈয়ে কয় যে এইবাৰ আমাৰ কথা স্পষ্ট। এইখন চৰকাৰে খিলঞ্জীয়া বিদ্বেষী নীতি লৈছে। খিলঞ্জীয়াক প্ৰৱঞ্চনা কৰিছে, প্ৰতাৰণা কৰিছে। ৬ জনগোষ্ঠীৰ ৰাইজক আশা দি নিৰাশা কৰিছে। প্ৰতিশ্ৰুতি দি আমাক জনজাতিকৰণৰ মৰ্যদা দিয়া নাই। যদি ২০২৬ চনৰ নিৰ্বাচনৰ আগত আহোমসকলৰ লগতে ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰা নহয় তেন্তে এই বৃহৎ গণতান্ত্ৰিক উৎসৱৰ বিৰুদ্ধে থিয় দিব। বিজেপিৰ দল আৰু চৰকাৰৰ বিৰুদ্ধে খিলঞ্জীয়া ৰাইজ মাৰবান্ধি থিয় দি যোগ্য প্ৰত্যুত্তৰ দিব। বসুন্ধৰা ৩.০ৰ অধিসূচনাৰ জড়িয়তে মৰাণ, মটক, চুতীয়া বিদ্বেষী সিদ্ধান্ত লোৱাৰ অভিযোগ আনি বসন্ত গগৈয়ে কয় যে এই অধিসূচনাৰ জড়িয়তে মৰাণ, মটক, চুতীয়াই মাটিৰ পট্টা বিচাৰিব লাগিলে তিনিটা প্ৰজন্মৰ প্ৰমাণ পত্ৰ দিব লাগে। ইয়াৰ দ্বাৰা এইখন চৰকাৰ যে খিলঞ্জীয়া বিদ্বেষী সেই কথা প্ৰমাণ হৈছে। চৰকাৰে খিলঞ্জীয়াৰ বিৰুদ্ধে স্থিতি গ্ৰহণ কৰিছে। এই অধিসূচনা বাতিল কৰক। উজনি অসমৰ বিভিন্ন প্ৰান্তত গৰু, কয়লা, কাঠৰ চিণ্ডিকেট চলাৰ অভিযোগ আনি গগৈয়ে আৰু কয় যে গৰু, কয়লা, কাঠৰ চিণ্ডিকেটৰ বিৰুদ্ধে চৰকাৰে একচন লোৱা নাই। অসমৰ চৰকাৰে চিণ্ডিকেটৰ বিৰুদ্ধে একচন লওক। সংগঠনটোৱে কেইবাটাও কাৰ্যসূচী ঘোষণা কৰিছে। ১০ ডিচেম্বৰত জনজাতিকৰণৰ দাবীত দিল্লীত প্ৰতিবাদ সাব্যস্ত কৰিব আটাছুৱে। লগতে ৩০ ডিচেম্বৰত সন্ত্ৰাসবাদী নিৰ্মূল দিৱস, ২৪ নৱেম্বৰৰ পৰা চেপনত তিনিদিনীয়া কাৰ্যসূচীৰে লাচিত দিৱস পালনৰ ঘোষণা কৰিছে। ২ ডিচেম্বৰত কাজিৰঙাত ‘অসম দিৱস’ পালনৰ কথা ঘোষণা কৰিছে জনগোষ্ঠীয় সংগঠনটোৰ নেতা বসন্ত গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ’৯৬ৰ মন্ত্ৰী নগেন নেওঁগ হত্যাৰ গোচৰত

উচ্চ ন্যায়ালয়ৰ ৰায়কে বাহাল ৰাখিছে উচ্চতম ন্যায়ালয়ে। দেশৰ শীৰ্ষ আদালতে উচ্চ ন্যায়ালয়ে দোষমুক্ত কৰা আলফা নেতা অমৰ সিং ওৰফে অৰূপ কোঁৱৰক দোষমুক্ত বুলি ৰায় দিছে উচ্চতম ন্যায়ালয়ে। প্ৰাক্তন মন্ত্ৰী নগেন নেওগ হত্যাকাণ্ড গোচৰত অভিযোগ মুক্ত হয় আলফা নেতা অমৰ সিং। উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই গোচৰৰ তদন্তকাৰী দল চিবিআইয়ে উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চতম ন্যায়ালয়ে অমৰ সিঙক গোচৰৰ পৰা মুক্ত কৰে। আজি গোচৰৰ শুনানিৰ সময়ত অধিবক্তাৰ সৈতে উপস্থিত আছিল অমৰ সিং। চলিত বৰ্ষৰ ১৮ অক্টোবৰত চিবিআইয়ে পুনৰ গ্ৰেপ্তাৰ কৰিছিল যদিও অমৰ সিঙক। কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ দলে গোলাঘাটৰ পুলিবৰ বগৰীজেংস্থিত বাসভৱনৰ পৰা অৰূপ কোঁৱৰক গ্ৰেপ্তাৰ কৰিছিল। গোলাঘাটত স্বাস্থ্য পৰীক্ষা কৰি চিবিআইৰ দল ১৯ অক্টোবৰত গুৱাহাটীৰ আদালতত হাজিৰ কৰি ট্ৰেনজিড ৰিমাণ্ডত লৈ অসমৰ বাহিৰলৈ নিছিল যদিও আদালতে জামিন প্ৰদান কৰিছিল। মন্ত্ৰী অজন্ত নেওঁগৰ স্বামী প্ৰয়াত কংগ্ৰেছ নেতা তথা মন্ত্ৰী নগেন নেওঁগ হত্যাৰ গোচৰত ১৯৯৬ চনত গ্ৰেপ্তাৰ হৈছিল অমৰ সিং। ১৯৯৬ চনৰ ৬ মে’ত নগেন নেওগে গোলাঘাটৰ জিলা সদৰৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ বৰাগাঁৱঁলৈ ঘৰলৈ গৈছিল। সেই সময়ত চৌদিশৰ পৰা কৰা আক্ৰমণত নগেন নেওগ, চালক আৰু পাঁচজন দেহৰক্ষীকে ধৰি আঠজন লোক নিহত হৈছিল। অভিযুক্তসকলে কাৰাগাৰত সময় অতিবাহিত কৰিছিল যদিও পৰ্যাপ্ত প্ৰমাণৰ অভাৱত ২০১৩ চনত নিৰ্দোষী সাব্যস্ত হৈছিল। অৱশেষত সৰ্বোচ্চ ন্যায়ালয়েও একেই ৰায়কে বাহাল ৰাখে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পৰ বিজয়, সোঁপন্থীৰ উত্থান

উভতি আহিছে। আহিয়েই তেওঁ দেশবাসীক কৈছে, মই আপোনালোকৰ ৪৫ সংখ্যাক ৰাষ্ট্ৰপতি আছিলোঁ আৰু ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হয়। বহু চৰ্চিত, সকলোৰে দৃষ্টি নিৱদ্ধ থকা বিশ্বৰ শক্তিশালী দেশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ যুঁজত এইবাৰ ডেম'ক্ৰেটিক প্ৰাৰ্থী ভাৰতীয় বংশোদ্ভৱ কমলা হেৰিছ পৰাস্ত হৈছে আৰু ৰিপাব্লিক দলৰ ড'নাল্ড ট্ৰাম্প জয়ী হৈছে। শ্বেতাংগৰ উত্থান বা সোঁপন্থী মতাদৰ্শৰ ৰিপাব্লিকান দলটোৰ প্ৰাৰ্থী হিচাপে ড'নাল্ড ট্ৰাম্প এতিয়া কেৱল ৰিপাব্লিকান দলটোৰে সৰ্বেসৰ্বা নহয়, তেওঁ এতিয়া হৈ পৰিছে বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰৰ প্ৰধান ব্যক্তি, অৰ্থাৎ যুক্তৰাষ্ট্ৰৰ প্ৰথম ব্যক্তি।

পেছাত এগৰাকী পুঁজিপতি ৭৮ বছৰীয়া ড'নাল্ড ট্ৰাম্প পুনৰাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈ অহা কথাটোৱে তেওঁৰ আগন্তুক নীতি স্পষ্ট কৰি তুলিছে। ২০২০ চনত স্থুলাভিষিক্ত হৈ পৰাৰ পাছত তেওঁক আইনী গোচৰত (ধন হৰলুকি, পৰ্ণষ্টাৰক ধন পৰিশোধ) সাঙুৰি ডেম'ক্ৰেট দলটোৱে ধৰাশায়ী কৰিব বিচাৰিছিল কিন্তু মূলত ডেম'ক্ৰেট দল বা নেতৃত্ব এই ক্ষেত্ৰত সফল হ'ব নোৱাৰিলে। এইবাৰৰ নিৰ্বাচনৰ পূৰ্বে অন্য এগৰাকী পুঁজিপতি তথা স্বপ্নদ্ৰষ্টা উদ্যোগপতি, টেছলা-ষ্টাৰলিংকৰ স্বত্বাধিকাৰী এলন মাস্কৰ সৈতে যুটী বান্ধি নিৰ্বাচনী প্ৰচাৰ চলোৱা ট্ৰাম্পে শেষত বিজয়ীৰ হাঁহি মাৰিলে।

৪৫ সংখ্যাক ৰাষ্ট্ৰপতিৰ কাৰ্যকালৰ সময়ত তথা ২০২৪ নিৰ্বাচনৰ প্ৰচাৰৰ সময়তো ড'নাল্ড ট্ৰাম্পে এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰি আহিছে, সেই বিষয়টো হৈছে অনুপ্ৰৱেশ সমস্যাৰ সমাধানৰ কথাটো, আৰু এই ক্ষেত্ৰত তেওঁ তথা ৰিপাব্লিকানসকলে পূৰ্ণোদ্যমে প্ৰচাৰ চলাই আহিছে। নিজৰ কাৰ্যকালত মেক্সিকোৰ পৰা হোৱা অনুপ্ৰৱেশ ৰোধ কৰিবলৈ ওখ দেৱাল (ট্ৰাম্প ৱাল বুলি জনা যায়) নিৰ্মাণৰ তৎপৰতা দেখুওৱা ট্ৰাম্পে এইবাৰো নিৰ্বাচনৰ প্ৰচাৰত পোনপটীয়াকৈ কৈ আহিছে যে প্ৰব্ৰজন নীতিৰ সোপাটিলা স্বৰূপটোৰ ফল আমেৰিকা যুক্তৰাষ্ট্ৰই ভুগিবলগীয়া হৈছে। সমান্তৰালকৈ এলন মাস্কেও একাধিক সাক্ষাৎকাৰত অনুপ্ৰৱেশ সমস্যাৰ কথা উল্লেখ কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰত ৫০ খন ৰাজ্য আছে যদিও মূলত ৮খন ৰাজ্য যেনে মিছিগান, উইছকনছিন, পেনিছেলভেনিয়া, ফ্ল'ৰিডা, জৰ্জিয়া, নৰ্থ কেৰ'লিনা, নেভাডা, এৰিজ'নাৰ ভোটগণনাই ৰাষ্ট্ৰপতি নিৰ্বাচনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। ২০২০ৰ তুলনাত এইবাৰ সেই পৰিৱৰ্তন পৰিলক্ষিত হৈছে সেয়েহে নিৰ্বাচনী ফলাফল ৰিপাব্লিকান দলৰ সহায়ক হৈছে।

বিগত চাৰিবছৰীয়া শাসনত ডেম'ক্ৰেটিক দল তথা ইয়াৰ নেতৃত্বত তথা ৰাষ্ট্ৰপতি জ' বাইডেন আৰু প্ৰায়েই নীতি নিৰ্ধাৰণৰ হোঁতা কমলা হেৰিছ বিশেষভাৱে বিফল হৈছে। কিয়নো মধ্য প্ৰাচ্যত চলি থকা ইজৰাইল কেন্দ্ৰিক বিবাদেই হওক বা ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ কথাই হওক, এই দুয়ো যুদ্ধৰ প্ৰেক্ষাপটত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূমিকা পুতৌজনক দেখা পোৱাৰ লগতে যুদ্ধৰ বিভীষিকাৰ ফলত দেশখনে শৰণাৰ্থী সমস্যাৰ ৰূপত এক বিকট সমস্যাৰ সন্মুখীন হৈছে। বাইডেন প্ৰশানৰ ভুল নীতিৰ ফলত মধ্য প্ৰাচ্যৰ যুঁজখনত ৪০ সহস্ৰাধিকৰ মৃত্যু হোৱাৰ লগতে ইজৰাইলৰ বেঞ্জামিন নেত্যানহুৰে বাইডেন প্ৰশাসনক নিস্ক্ৰীয় কৰি তোলা দেখা গৈছিল। বিশ্বৰ সৰ্বশক্তিমান ৰাষ্ট্ৰ বুলি গৌৰৱ কৰা ছেম আংকলৰ বাবে ইয়াতকৈ লজ্জাৰ কথা আৰু কি হ'ব পাৰে? ট্ৰাম্পে এই ব্যৱস্থা পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি দিছিল আৰু সেই প্ৰতিশ্ৰুতিত এতিয়া দেশবাসী পতিয়ন যোৱাটো স্পষ্ট হৈ পৰিছে।

বিশ্বৰ শেহতীয়া পট পৰিৱৰ্তনৰ প্ৰেক্ষাপটত ইউৰোপ তথা আমেৰিকা যুক্তৰাষ্ট্ৰত সোঁপন্থী মতাদৰ্শৰ উত্থান দেখিবলৈ পোৱা গৈছে। বিশেষত মধ্য প্ৰাচ্যৰ যুদ্ধৰ ফলত সৃষ্টি হোৱা শৰণাৰ্থী সমস্যাই পশ্চিমৰ ধনী দেশবোৰক চিন্তিত কৰি তুলিছে।

গ্ৰেট বৃটেইন, ইটালী, জাৰ্মানী, পোলেণ্ডৰ দৰে দেশবোৰত সোঁপন্থী চিন্তা জাগ্ৰত হোৱাৰ লগতে শৰণাৰ্থী নীতিক লৈ প্ৰশ্ন উত্থাপিত হৈছে। তেনে এক মতাদৰ্শই ট্ৰাম্প বাহিনীয়েও নিৰ্বাচনৰ পূৰ্বে প্ৰচাৰ চলাইছিল।

আমেৰিকানবাসীৰ বাবে শেহতীয়াকৈ মুদ্ৰাস্ফীতি আৰু বৰ্ধিত নিবনুৱা সমস্যাও অন্য এক কামোৰণি হৈ পৰিছিল। বাইডেন প্ৰশাসনৰ বিফলতা প্ৰদৰ্শনেৰে ২০২২ চনৰ জুন মাহত যুক্তৰাষ্ট্ৰৰ মুদ্ৰাস্ফীতি ৯.১লৈ বৃদ্ধি পোৱা কথাটো দেশবাসীয়ে সহজভাৱে ল'ব পৰা নাছিল। নিৰ্বাচনী প্ৰচাৰত ট্ৰাম্পে দেশৰ গৌৰৱ পুনৰাই উজ্জীৱিত কৰাৰ কথা উল্লেখ কৰিছিল।

৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ প্ৰক্ষাপটত ড'নাল্ডে ট্ৰাম্পে দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত আমেৰিকাক একত্ৰিত হোৱাৰ কথা উল্লেখ কৰিছে। দেশক প্ৰথম স্থান দি আমেৰিকাৰ হৃত গৌৰৱ উভতাই অনাৰ কথা ঘোষণা কৰিছে। তেওঁ লগতে কৈছে, এখন প্ৰাচুৰ্যশালী আমেৰিকা যুক্তৰাষ্ট্ৰ পুনৰাই ঘূৰাই নিদিয়ালৈ ট্ৰাম্প শান্তিৰে নাথাকে বুলি তেওঁ হুংকাৰ দিছে। শেষত তেওঁ কৈছে, মোক দুবাৰকৈ গুলীয়াই মাৰিবলৈ চেষ্টা কৰা হৈছিল, এই নতুন জীৱন মই অথলে যাব নিদিওঁ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাঁচ এচিএছক নিলম্বন আয়োগৰ

নিৰ্দেশ পালন নকৰাত ৫ এচিএছক চাকৰিৰ পৰা তাৎক্ষণিকভাৱে নিলম্বন কৰিছে ৰাজ্যিক নিৰ্বাচনী বিভাগে। কাব্যশ্ৰী দিহিঙীয়া, কংকনজ্যোতি শইকীয়া, সৰোজ কুমাৰ ডেকা, পৰিস্মিতা দিহিঙীয়া আৰু জিণ্টু শৰ্মাক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। এই পাঁচগৰাকী বিষয়াক নিৰ্বাচনী বিষয়া হিচাপে তাৎক্ষণিকভাৱে বদলি কৰি কৰ্তব্যত যোগদান কৰিবলৈ নিৰ্দেশ দিছিল যদিও নিৰ্দেশ অমান্য কৰাত কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বিভাগটোৱে। নিৰ্বাচনী বিষয়া হিচাপে বদলি কৰাৰ পাছতো যোগদান নকৰাত চাকৰিৰ পৰা নিলম্বন কৰাই নহয় বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়া হৈছে। ২৫ ছেপ্টেম্বৰত একেখন পত্ৰ যোগে আটাইকেইজনক বদলিৰ নিৰ্দেশ দিয়া হৈছিল। জোনাইৰ সহকাৰী আয়ুক্ত জিণ্টু শৰ্মাক মাজুলীৰ নিৰ্বাচনী বিষয়া হিচাপে বদলি কৰা হৈছিল। তিনিচুকীয়া জিলাৰ নিৰ্বাচনী বিষয়া কংকনজ্যোতি শইকীয়াক বৰপেটাৰ নিৰ্বাচনী বিষয়া হিচাপে বদলি কৰা হৈছিল। বোকাখাতৰ নিৰ্বাচনী বিষয়া পৰিস্মিতা দিহিঙীয়াক শিৱসাগৰৰ নিৰ্বাচনী বিষয়া হিচাপে বদলি কৰা হৈছিল। বাক্সাৰ নিৰ্বাচনী বিষয়া কাব্যশ্ৰী দিহিঙীয়াকো ডিমা হাচাওৰ নিৰ্বাচনী বিষয়া হিচাপে বদলি কৰা হৈছিল। পৰ্বতঝোৰাৰ সহকাৰী আয়ুক্ত সৰোজ কুমাৰ ডেকাক নিৰ্বাচনী বিষয়াৰ দায়িত্ব দি বদলি কৰা হৈছিল। কিন্তু দুকুৰি দিনে বদলিৰ নিৰ্দেশ মৰ্মে নতুন স্থানত যোগদান নকৰাত খৰ্গহস্ত হয় অসম ৰাজ্যিক নিৰ্বাচনী বিভাগ। তৎক্ষণাত কাৰ্যকৰী হোৱাকৈ চাকৰিৰ পৰা নিলম্বন কৰিছে। আটাইকেইজন বিষয়াই নিৰ্বাচনী বিভাগৰ পৰা মুকলি কৰি দিবলৈ পত্ৰ প্ৰেৰণ কৰিছিল। জিণ্টু শৰ্মাই ১ অক্টোবৰত এখন পত্ৰ যোগে মাজুলীৰ নিৰ্বাচনী বিষয়া হিচাপে যোগদান কৰিবলৈ অস্বীকাৰ কৰে। মুখ্য নিৰ্বাচনী বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি বিশেষ কাৰণত নতুন স্থানত যোগদান কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে আৰু গুৱাহাটীত দায়িত্ব দিবলৈ অনুৰোধ জনায়। কংকনজ্যোতি শইকীয়াক বৰপেটাৰ নিৰ্বাচনী বিষয়াৰ দায়িত্ব ল'বলৈ অস্বীকাৰ কৰা নিৰ্বাচনী বিভাগৰ পৰা মুকলি কৰিবলৈ অনুৰোধ জনায়। পৰিস্মিতা দিহিঙীয়াই নিৰ্বাচনী বিভাগৰ পৰা মুকলি কৰি দিবলৈ অনুৰোধ জনায়। বাক্সাৰ নিৰ্বাচনী বিষয়া কাব্যশ্ৰী দিহিঙীয়া আৰু সৰোজ কুমাৰ ডেকাই বদলিৰ নিৰ্দেশ বাতিল কৰাৰ বাবে আবেদন জনায়। ৫ বিষয়াই বিভাগৰ নিৰ্দেশ নিজ মই-মতালিত অমান্য কৰাত খৰ্গহস্ত হয় বিভাগটো। এসপ্তাহৰ ভিতৰত চাকৰিত যোগদান কৰাৰ নিয়ম উলংঘা কৰা অসম সেৱা অনুশাসন আৰু আপীল নিয়ম, ১৯৬৪ৰ নিয়ম ৬(১)ৰ অধীনত আটাইকেইজনক তাৎক্ষণিকভাৱে নিলম্বন কৰিছে। কি কাৰণত এই বিষয়াকেইগৰাকীয়ে এনেদৰে চৰকাৰী নিৰ্দেশ পালন নকৰাৰ সাহস কৰিলে সেয়া জানিব পৰা হোৱা নাই। উল্লেখ্য যে, ৰাজ্যিক নিৰ্বাচনী বিভাগত চাকৰি কৰিলে ধন ঘটিব নোৱাৰি বুলি প্ৰায়ে চৰ্চা হয়। সেয়ে নিৰ্বাচনী বিষয়া হ'বলৈ বহু বিষয়াই মন নকৰে বুলি অভিযোগ উত্থাপিত হৈ আহিছে। যাৰ বাবেই হয়তো নিৰ্বাচনী বিভাগত ৫ বিষয়াই থাকিব খোজা নাছিল বুলি এতিয়া চৰ্চা চলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জধে-মধে বুলডজাৰ চলাই বিপদত যোগী

ন্যায়ালয়ে। লগতে এই অনিয়মৰ সৈতে জড়িত বিষয়াসকলৰ বিৰুদ্ধে তদন্ত আৰু অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিয়ে ন্যায়ালয়ে। আদালতে কয় যে জাননী অবিহনে ঘৰ ভাঙি পেলোৱাটো “সম্পূৰ্ণ স্বেচ্ছাচাৰী” আৰু আইনৰ শাসন উলংঘা। দৰাচলতে মনোজ তিব্ৰেৱাল আকাশ নামৰ এজন ব্যক্তিয়ে ২০২০ চনত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ প্ৰেৰণ কৰা এখন পত্ৰৰ আধাৰত আদালতে ৰুজু কৰা ছু মট’ ৰিট আবেদনৰ শুনানি বুধবাৰে গ্ৰহণ কৰে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে। মনোজ তিব্ৰেৱালাই অভিযোগ কৰিছিল যে মহাৰাজগঞ্জ জিলাৰ তেওঁৰ ঘৰ ২০১৯ চনত জাননী অবিহনে বুলডজাৰেৰে ভাঙি পেলায় প্ৰশাসনে। এই গোচৰৰ শুনানিৰ সময়ত বিচাৰপীঠে কয় যে যথাযথ প্ৰক্ৰিয়া অবিহনে এনেদৰে ঘৰ ভাঙি পেলোৱাটোৱেই হৈছে “চূড়ান্ত বৰ্বৰতা”। ইফালে শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ হৈ উপস্থিত থকা অধিবক্তাই আদালতত দাবী কৰে যে আবেদনকাৰীয়ে ৩.৭ বৰ্গমিটাৰ চৰকাৰী ভূমি বেদখল কৰিছে। এই সন্দৰ্ভত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয়, "আপুনি কৈছে যে আবেদনকাৰীয়ে সামান্য পৰিমাণৰ মাটি দখল কৰিছিল, আমি মানি লৈছো। কিন্তু তাৰ বাবেই ঘৰটো ভাঙি পেলাপ নোৱাৰি। প্ৰক্ৰিয়াটো আইন অনুসৰি পালন কৰিব লাগিব।" ন্যায়াধীশগৰাকীয়ে আৰু কয়, “আচলতে কোনো জাননী অবিহনে ৰাজহুৱা ঘোষণাৰ দ্বাৰাহে ঘৰটো ভাঙি পেলোৱা হৈছিল, যিটো সম্পূৰ্ণ স্বেচ্ছাচাৰী আৰু অবৈধ।” আদালতে কয় যে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ পৰা পোৱা প্ৰতিবেদন অনুসৰি সৰ্বাধিক ৩.৭০ বৰ্গমিটাৰ মাটি বেদখলৰ অভিযোগ সমগ্ৰ ঘৰটো ভাঙি পেলোৱাৰ বাবে পৰ্যাপ্ত কাৰণ নাছিল। ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে আবেদনকাৰীক অন্তৰ্বৰ্তীকালীন ক্ষতিপূৰণ হিচাপে ক্ষতিপূৰণ দিয়াৰ পৰামৰ্শ দি অভিযোগৰ ভিত্তিত এফ আই আৰ পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়ে। গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ পাৰ্দিৱালাই কয়, "কেৱল ঢোল বজাই বা ঘোষণা কৰি ঘৰ খালী কৰাৰ নিৰ্দেশ দিব নোৱাৰি। সঠিক পদ্ধতি মানি চলিব লাগিব।" বিচাৰপীঠে নিৰ্দেশ দিয়ে যে ৰাজ্যিক কৰ্তৃপক্ষই আবেদনকাৰীক সাময়িকভাৱে ২৫ লাখ টকা ক্ষতিপূৰণ দিব লাগিব। লগতে, আবেদনকাৰীয়ে ইচ্ছা কৰিলে অধিক ক্ষতিপূৰণৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সমান্তৰালভাৱে আদালতে উত্তৰ প্ৰদেশৰ মুখ্য সচিবক তদন্ত কৰি সকলো দায়িত্বশীল বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি এমাহৰ ভিতৰত এই নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে। যাতে অন্য ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশতো এনেধৰণৰ অবৈধ বুলডজাৰ কাণ্ড প্ৰতিৰোধ কৰিব পাৰি, তাৰ বাবে এই ৰায়দানৰ প্ৰতিলিপি সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ প্ৰেৰণ কৰা হ’ব বুলি জানিবলৈ দিয়ে আদালতে। এই গোচৰত আবেদনকাৰীৰ হৈ জ্যেষ্ঠ অধিবক্তা সিদ্ধাৰ্থ ভাটনগৰ আৰু অধিবক্তা শুভম কুলশ্ৰেষ্ঠ আদালতত উপস্থিত থাকে। প্ৰণিধানযোগ্য যে, অপৰাধ সংঘটিত কৰাৰ অভিযোগত অবৈধভাৱে বুলডজাৰ চলাই ঘৰ বা আন আন্তঃগাথনি ভঙাক লৈ পূৰ্বেও উচ্চতম ন্যায়ালয়ৰ সমালোচনাৰ সন্মুখীন হৈছিল উত্তৰ প্ৰদেশৰ বিজেপি চৰকাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এলএমভিৰ লাইচেন্স হ’লেই ট্ৰাক চলিব!

প্ৰয়োজন নহয় গধুৰ বাহনৰ অনুজ্ঞাপত্ৰ। কিয়নো দেশৰ বাহন চালকসকলক লৈ এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে দেশৰ উচ্চতম ন্যায়ালয়ে। বুধবাৰে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায় অনুসৰি এতিয়াৰে পৰা সৰু চাৰিচকীয়া বাহন (এলএমভি) চালনৰ অনুজ্ঞাপত্ৰৰেও চলাব পাৰিব মালবাহী বাহন। অৱশ্যে এই সন্দৰ্ভত কিছু চৰ্তও নিৰ্ধাৰণ কৰি দিছে। বুধবাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন ন্যায়ালয়ৰ পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে প্ৰকাশ কৰে এই কথা। আদালতে লগতে সৰু গাড়ীৰ লাইচেন্সেৰে মালবাহী গাড়ী চলোৱা সন্দৰ্ভত চৰ্ত বান্ধি দি কয় যে বাহনখনত সামগ্ৰী লোড নকৰাকৈ ওজন ৭৫০০ কেজিতকৈ কম হ’ব লাগিব। আদালতৰ এই চৰ্ত অনুসৰি ইয়াৰ অধীনত মধ্যমীয়া আকাৰৰ ট্ৰাকসমূহো অন্তৰ্ভুক্ত হ’ব। এই গোচৰৰ শুনানি গ্ৰহণ কৰে মুখ্য ন্যায়াধীশ চন্দ্ৰচুড়, ন্যায়াধীশ হৃষিকেশ ৰায়, ন্যায়াধীশ পি এছ নৰসিংহ, ন্যায়াধীশ পংকজ মিট্টল আৰু ন্যায়াধীশ মনোজ মিশ্ৰই। মন কৰিবলগীয়া যে, সাধাৰণতে এই দেশৰ গাড়ীৰ ধৰণ অনুসৰি চালকৰ অনুজ্ঞাপত্ৰ বেলেগ বেলেগ হয়। গিয়াৰবিহীন দুচকীয়া বাহন (স্কুটাৰ)ৰ বাবে পৃথক অনুজ্ঞাপত্ৰ আৰু বাইকৰ বাবে পৃথক অনুজ্ঞাপত্ৰ জাৰি কৰা হয়। একেদৰে সৰু চাৰিচকীয়া বাহনৰ বাবে এক প্ৰকাৰৰ অনুজ্ঞাপত্ৰ আৰু গধুৰ বাহন (মূলতঃ মালবাহী বাহন) চলোৱাৰ বাবে আন এক প্ৰকাৰৰ অনুজ্ঞাপত্ৰ থাকে। কিন্তু বুধবাৰে উচ্চতম ন্যায়ালয়ে কয় যে যদি এখন মালবাহী গাড়ীৰ ওজন আনলোড হৈ থকা সময়ত ৭৫০০ কেজিতকৈ কম হয় তেন্তে ইয়াক সৰু বাহন হিচাপে গণ্য কৰা হ’ব। দৰাচলতে, গাড়ীৰ মালিকসকলে সৰু বাহনৰ অনুজ্ঞাপত্ৰৰে মালবাহী গাড়ী চলোৱাৰ বাবে বিভিন্ন ক্ষেত্ৰত গাড়ীৰ বীমাৰ ধন লাভ কৰাত সমস্যাৰ সন্মুখীন হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছিল। প্ৰথম অৱস্থাত উচ্চতম ন্যায়ালয়ৰ তিনিগৰাকী ন্যায়াধীশৰ বিচাৰপীঠত এই গোচৰৰ শুনানি চলে। পিছত ২০২২ চনত এই গোচৰটো উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ পিছতে মুঠ ৭৬ গৰাকী অভিযোগকাৰীৰ ভাষ্য শুনে বিচাৰপীঠে। শুনানিৰ অন্তত উচ্চতম ন্যায়ালয়ে ২১ আগষ্টত ৰায় স্থগিত ৰাখে। বুধবাৰে পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে সেই ৰায় প্ৰদান কৰে। সাংবিধানিক বিচাৰপীঠৰ আটাইকেইগৰাকী ন্যায়াধীশে সৰ্বসন্মতিক্ৰমে প্ৰদান কৰে এই ৰায়। ৰায়দানৰ সময়ত ন্যায়াধীশ হৃষিকেশ ৰায়ে কয় যে দিনটোৰ বেছিভাগ সময় গাড়ীতে পাৰ সকলে আদালতৰ পৰা উত্তৰৰ অপেক্ষা কৰি আছে। কেৱল কাৰিকৰী ভিত্তিত তেওঁলোকৰ অভিযোগসমূহ অগ্ৰাহ্য কৰিব নোৱাৰি বুলিও মন্তব্য কৰে ন্যায়ালয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বুলেট ট্ৰেইনৰ নিৰ্মীয়মান দলং খহি

এই ভয়ংকৰ ঘটনা সংঘটিত হয় গুজৰাটত। নিৰ্মীয়মান ব্ৰীজখন খহি পৰাৰ ফলত ধ্বংসস্তূপৰ মাজত বহু লোক আৱদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। স্থানীয় আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰৰ কাম আৰম্ভ কৰিছে। গুজৰাটৰ আনন্দৰ মাহী নদীৰ সমীপত নিৰ্মাণ কৰি থকা ব্ৰীজখন ভাগি পৰাৰ সময়ত তাত ডজনৰো অধিক শ্ৰমিক কৰ্মৰত হৈ আছিল বুলি জানিব পৰা গৈছে। আনন্দৰ আৰক্ষী অধীক্ষক গৌৰৱ জাছানীয়ে জানিবলৈ দিয়া মতে, প্ৰথমাৱস্থাত এই দুৰ্ঘটনাৰ ফলত ধ্বংসস্তূপত চাৰিজন শ্ৰমিক আৱদ্ধ হৈ থকাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে দুজনক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসাধীন অৱস্থাতে এজন শ্ৰমিকৰ মৃত্যু ঘটা বুলি জনায় আৰক্ষী অধীক্ষকগৰাকীয়ে। নেশ্যনেল হাই স্পীড ৰে’ল কৰ্প’ৰেশ্যন লিমিটেডৰ সূত্ৰই জনোৱা মতে, ষ্টীল আৰু কংক্ৰিটৰ ব্লকৰে নিৰ্মিত ব্ৰীজখনৰ এটা অস্থায়ী অংশ ভাঙি পৰি এই দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে, ৫০৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ মুম্বাই-আহমেদাবাদ বুলেট ট্ৰেইন কৰিড’ৰৰ অংশ হিচাপে নিৰ্মাণ কৰা হৈছিল এই ব্ৰীজখন। এই আঁচনিৰ অধীনত গুজৰাটত ৩৫২ কিলোমিটাৰ আৰু মহাৰাষ্ট্ৰৰ ১৫৬ কিলোমিটাৰ ৰে’লপথ নিৰ্মাণ কৰা হৈছে। এই বুলেট ট্ৰেইন প্ৰকল্পত ১২টা ষ্টেচন থাকিব বুলি জানিব পৰা গৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেএমচিত প্ৰথমবাৰৰ বাবে মৰণোত্তৰ

পৰিয়ালবৰ্গৰ হৈ জয়দীপ প্ৰতিম দাসে তুষাৰকান্তি দাসৰ মৃতদেহ আনুষ্ঠানিকভাৱে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়লৈ হস্তান্তৰ কৰে। উল্লেখ্য যে বঙাইগাঁৱৰ সমাজকৰ্মী তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সতে জড়িত হৈ থকা তুষাৰকান্তি দাসে বাৰ্ধক্যজনিত ৰোগৰ বাবে আজি পুৱা ৯:৩০ মান বজাত শেষনিশ্বাস ত্যাগ কৰিছিল। মৃত্যুৰ পূৰ্বেই ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে মৰণোত্তৰ দেহদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ৰখা তুষাৰকান্তি দাসে মৃত্যুৰ পিছত তেওঁৰ মৃতদেহটো চিকিৎসা বিজ্ঞানৰ বাবে উৎসৰ্গিত হোৱাটো বিচাৰিছিল। সেইমৰ্মে আজি তুষাৰকান্তি দাসৰ মৃত্যুৰ পিছত পৰিয়ালৰ লোকে ইলোৰা বিজ্ঞান মঞ্চৰ সৈতে যোগাযোগ কৰে আৰু ইলোৰা বিজ্ঞান মঞ্চই কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ সৈতে যোগাযোগ কৰাই দিয়ে। তুষাৰকান্তি দাসৰ মৃতদেহ কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ত আহি পোৱাৰ পিছতে মহাবিদ্যালয়ৰখনৰ অধ্যক্ষ ডা০ অতুল বড়ো সহিতে আন চিকিৎসক, চিকিৎসাকৰ্মী আৰু ছাত্ৰ-ছাত্ৰী সকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সংবাদমাধ্যমৰ আগত কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অতুল বড়োৱে ইলোৰা বিজ্ঞান মঞ্চৰ ভূমিকাক প্ৰশংসা কৰি দেহদান প্ৰক্ৰিয়া ইমান সহজ নহয় বুলি মন্তব্য কৰে। মানসিকভাৱে প্ৰবল শক্তিশালী আৰু পৰিয়ালৰ অনবদ্য ভূমিকা থাকিলেহে দেহদান সম্ভৱ বুলি মন্তব্য কৰি অতুল বড়োৱে তুষাৰকান্তি দাসৰ পৰিয়ালবৰ্গৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ত এইটোৱেই প্ৰথম মৰণোত্তোৰ দেহদান বুলি মন্তব্য কৰি অতুল বড়োৱে কয় যে মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ বাবে পাঁচটাকৈ মৃতদেহৰ প্ৰয়োজন। মেডিকেল কলেজ আৰম্ভ হোৱাৰ পিছত গুৱাহাটী আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ মৃতদেহ অনা হৈছিল বুলিও মন্তব্য কৰে অধ্যক্ষ বড়োৱে। উল্লেখ্য যে তুষাৰকান্তি দাসে স্কুলীয়া শিক্ষা বঙাইগাঁৱতে সম্পন্ন কৰিছিল যদিও উচ্চশিক্ষা শ্বিলঙৰ চেইণ্ট এণ্টনি কলেজত সম্পন্ন কৰিছিল। জানিব পৰা মতে তুষাৰকান্তি দাসৰ পৰিয়ালৰ পৰা ইতিমধ্যে তিনিজনে দেহদান কৰি থৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ৩ বছৰত কাটিলে ৩ হাজাৰ

গছ কাটিছে চৰকাৰে। সকলোতকৈ বেছি গছ কটা গৈছে জালুকবাৰী-খানাপাৰা ৰাষ্ট্ৰীয় ঘাইপথত। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ২০২২ চনত জালুকবাৰী-খানাপাৰা ৰাষ্ট্ৰীয় ঘাইপথৰ ২,৫০০ জোপা গছ কাটিছিল। পথ বহলোৱাৰ নামত পলাশবাৰী এলেকাত ২৫৪ জোপা, জু-ৰোড উৰণীয়া সেঁতুৰ বাবে ৫০ জোপা, সচিবালয়-চুপাৰ মাৰ্কেট সেঁতুৰ বাবে ৫৪ জোপা, ফাঁচিবজাৰৰ ফুটব্ৰীজৰ বাবে ৯ জোপা, খানাপাৰা ফুটব্ৰীজৰ বাবে ৬ জোপা, নাৰেংগী তিনিআলি-বোন্দা পথৰ ৭৩ জোপা, গুৱাহাটী শোধনাগাৰৰ ৩০ জোপা গছ কটা হৈছে। কিন্তু গুৱাহাটীবাসীয়ে ঘৰৰ পৰা ওলাই আহি গছ ৰক্ষাৰ বাবে প্ৰতিবাদ নকৰিলে। সামাজিক মাধ্যমত হৈ-চৈ কৰা নহ'ল। শেহতীয়াকৈ দীঘলীপুখুৰীৰপাৰৰ ২৫ জোপা গছ ৰক্ষাৰ বাবে প্ৰতিবাদ সাব্যস্ত কৰিলে গুৱাহাটীৰ নাগৰিকে। জাতীয়তাবাদী নেতা, শিল্পী, সাহিত্যিক, বুদ্ধিজীৱিয়ে প্ৰতিবাদ সাব্যস্ত কৰিলে। গণ্ডাই গণ্ডাই শিল্পীয়ে সামাজিক মাধ্যম গৰম কৰিলে। হঠাতে এই প্ৰতিবাদে জনজোৱাৰৰ ৰূপ লয়। কিন্তু একেইখন গুৱাহাটীৰ ভৰলুমুখত ৭৪ জোপা গছ কাটিবলৈ লোকনিৰ্মাণ বিভাগে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে জোৰদাৰ প্ৰতিবাদ হোৱা নাই। কিয়নো গ্লেমাৰবিহীন আন্দোলন নকৰে নেকি গুৱাহাটীবাসীয়ে? এই প্ৰশ্ন এইবাবেই উত্থাপন হৈছে যে ৰাজ্য চৰকাৰৰ গুৱাহাটীৰ এক বৃহৎ বনাঞ্চলক ধ্বংস সিদ্ধান্তক জানিও নজনাৰ ভাও ধৰিছে একাংশ লোকে। সেইটো হৈছে গুৱাহাটী মহানগৰীৰ গড়ভঙা বনভূমিক দিয়া বন্যপ্ৰাণী অভয়াৰণ্যৰ প্ৰাৰম্ভিক স্বীকৃতি বাতিল কৰিছে ৰাজ্য চৰকাৰ। ২৫ আগষ্টৰ কেবিনেটত সিদ্ধান্ত লৈ যিটো কথা ৰাজহুৱা কৰা নাছিল চৰকাৰে। ২৬ ছেপ্তেম্বৰত গোপনে নিৰ্দেশনা প্ৰত্যাহাৰ কৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰিৱৰ্তে গড়ভঙা সংৰক্ষিত বনাঞ্চল হৈয়ে থাকিল। কিন্তু আঁচৰিত কথা এয়াই যে দীঘলীপুখুৰীপাৰৰ গছ কেইডাল ৰক্ষাৰ বাবে যেনেদৰে প্ৰতিবাদ কৰা হৈছে তেনেকৈ গড়ভঙা সংৰক্ষিত বনাঞ্চলৰ স্বীকৃতি বাহাল কৰিবলৈ প্ৰতিবাদ কৰা হোৱা নাই। মুখ্যমন্ত্ৰীৰ মতে, গুৱাহাটীৰ উন্নয়নৰ স্থবিৰ হ'বৰ বাবে এনে সিদ্ধান্ত লৈছে। হয়তো গুৱাহাটীৰ ৰাইজে মুখ্যমন্ত্ৰীৰ কথাত হয়ভৰ দিছে। ২০২২ চনৰ ২৮ মে'ত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটে গড়ভঙা সংৰক্ষিত বনাঞ্চলক বন্যপ্ৰাণী অভয়াৰণ্যক ঘোষণা কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ১৭ মাহ পিছত ৰাজ্য চৰকাৰে গড়ভঙা বন্যপ্ৰাণী অভয়াৰণ্য কৰি জাৰি কৰা অধিসূচনা বাতিল কৰে। সিদ্ধান্ত প্ৰত্যাহাৰৰ অন্তৰালত বিশেষ স্বাৰ্থ লুকাই থকাৰ সন্দেহ কৰা হৈছে। বনভূমি উদ্যোগিক কামত ব্যৱহাৰৰ অনুমতি তথা হোটেল, ৰেষ্টোৰা বা অন্য কামত গড়ভঙাৰ বনভূমি গটাব পাৰে বুলি সন্দেহ কৰি প্ৰকৃতিপ্ৰেমীয়ে। চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত ৬২/২০২৪ নম্বৰত এখন জনস্বাৰ্থজনিত আবেদন দাখিল কৰে সমাজকৰ্মী সুপ্ৰকাশ তালুকদাৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ উন্নিকৃষ্ণণ নায়াৰৰ বিচাৰপীঠে শুনানি গ্ৰহণ কৰি অসম চৰকাৰক ৩ সপ্তাহৰ ভিতৰত শপতনামা দাখিলৰ নিৰ্দেশ জাৰি কৰিছে। সুপ্ৰকাশ তালুকদাৰৰ হৈ আদালতত যুক্তি দৰ্শাই অধিবক্তা বিক্ৰম ৰাজখোৱাই। গুৱাহাটী উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ, পৰিৱেশ-বন বিভাগ, মুখ্য প্ৰধান বন সংৰক্ষক, কামৰূপ মহানগৰ জিলাৰ আয়ুক্তক তিনি সপ্তাহৰ ভিতৰত শপতনামা দিবলৈ জাননী জাৰি কৰিছে। গুৱাহাটী মহানগৰীৰৰ পৰা মাত্ৰ ১৫ কিলোমিটাৰ নিলগৰ ১১৭ বৰ্গ কিলোমিটাৰৰ এলেকাধীন গড়ভঙা অভয়াৰণ্যৰ প্ৰাৰম্ভিক স্বীকৃতি বাতিল কৰিছিল যদিও চৰকাৰে গোপেন ৰাখিছিল। সুপ্ৰকাশ তালুকদাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ পিছতহে বিষয়টো পোহৰলৈ আহে। কেবিনেট সিদ্ধান্তৰ পাছতে ২০২২ চনৰ ৭ এপ্ৰিলত অসমৰ ৰাজ্যপালে গড়ভঙা সংৰক্ষিত বনাঞ্চলৰ ১১৭ বৰ্গ কিলোমিটাৰ এলেকাক বন্যপ্ৰাণী অভয়াৰণ্যৰ প্ৰাৰম্ভিক স্বীকৃতি দিছিল। কিন্তু ২০২৩ চনৰ ছেপ্টেম্বৰত একেটা ৰাজ্যপালৰ কাৰ্যালয়ে এক অধিসূচনাযোগে অভয়াৰণ্যৰ প্ৰাৰম্ভিক স্বীকৃতি বাতিল কৰে। আৰ্জিযোগে সুব্ৰত তালুকদাৰে গড়ভঙা বন্যপ্ৰাণী অভয়াৰণ্যৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ ন্যায়ালয়ক আহ্বান জনাইছে। সুব্ৰত তালুকদাৰে কয় যে বন্যপ্ৰাণী অভয়াৰণ্যৰ স্বীকৃতি বাতিলৰ বাবে নেচনেল বৰ্ড অৱ ৱাইল্ড লাইফ, উচ্চতম ন্যায়ালয়ৰ অনুমতিৰ প্ৰয়োজন। কোনো অনুমতি নোলোৱাকৈ ৰাজ্য চৰকাৰে গড়ভঙা বন্যপ্ৰাণী অভয়াৰণ্যৰ স্বীকৃতি বাতিল কৰিছে। ন্যায়ালয়ক গড়ভঙাৰ স্বীকৃতি অক্ষুণ্ণ ৰাখিবলৈ আবেদন জনাইছো। চিমেণ্ট কোম্পানী, হোটেল তথা আন পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত ৰাজ্য চৰকাৰে অভয়াৰণ্যৰ মৰ্যাদা বাতিল কৰিবলৈ ওলাইছে বুলি অভিযোগ আনে তালুকদাৰে। ১৮৬২ চনত গড়ভঙাক সংৰক্ষিত বনাঞ্চলৰূপে ঘোষণা কৰা হৈছিল। গড়ভঙাত বনাঞ্চলত আছে বহু প্ৰজাতিৰ পখিলা, বহু প্ৰজাতিৰ চৰাই, হলৌ বান্দৰ, ধনেশ পখী, হাড়গিলা, অজগৰ, ৰজাফেঁটী, নাহৰফুটুকী। বন্যপ্ৰাণী অভয়াৰণ্যৰ স্বীকৃতি বাতিল কৰাত প্ৰকৃতিপ্ৰেমী আঁচৰিত হৈছে। আনহাতে, চৌদিশে প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে গড়ভঙা অভয়াৰণ্য পূৰ্বৰে পৰা আছিল, স্বীকৃতি বাতিল কৰা হোৱা নাই। বন্যপ্ৰাণী অভয়াৰণ্য কৰিব খুজিছিলো যদিও উন্নয়ন স্থবিৰ হ'ব।

# আগমনিত পৃথক কমতাপুৰৰ দাবীত আক্ৰাছুৰ জোৰ সমদল

**ই-সংবাদ, গোলকগঞ্জ, ৬ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনিত আজি সন্ধিয়া ধুবুৰী জিলা আক্ৰাছু, চিলাৰায় সেনা, আৰু কোচ ৰাজবংশী মহিলা সমিতিৰ যৌথ উদ্যোগত জোৰ সমদল উলিওৱা হয়। ঐতিহাসিক পৃথক কামতাপুৰ ৰাজ্য আৰু জনজাতিকৰণৰ দাবীত দুই শতাধিক যুৱক যুৱতী নেতা সমৰ্থকে হাতে হাতে জোৰ, কেণ্ডেল, টৰ্চ লাইট জ্বলাই সমদলত অংশগ্ৰহণ কৰে। সমদলটো আগমনি চিলাৰায় পাৰ্কৰ পৰা ওলাই গোহাঁই কমল আলীৰে কালডোৱাৰ পৰা ঘুৰি আহি পুনৰ চিলাৰায় পাৰ্কত সামৰণি পৰে। নো এছটি নো ৰেষ্ট, এছটি আমাক লাগিবই, আমাৰ কামতাপুৰ পুনৰাই দিয়ক আদি ধ্বনিৰে আগমনিৰ আকাশ-বতাহ কঁপাই তোলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰিমগঞ্জত জাবিৰে কৰিলে ভয়ংকৰ

ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ বৰাক উপত্যকাত। নিজকে আৰক্ষী বুলি পৰিচয় দি যুৱতীৰ নগ্ন ভিডিঅ', ফটো দেখুৱাই ব্লেকমেইলিং কৰাৰ অভিযোগ উত্থাপন কৰি এজন লোকে আৰক্ষীৰ কাষ চাপিছিল। লোকজনৰ এজাহাৰৰ ভিত্তিত জাবিৰ হুছেইন নামৰ প্ৰৱঞ্চক তথা ভুৱা আৰক্ষীজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে কৰিমগঞ্জ আৰক্ষী। জাবিৰ হুছেইনে নিজকে ডিএছপি ছাহজাহান উদ্দিন লস্কৰ বুলি পৰিচয় দিছিল। কাটিগড়াত জাবিৰ হুছেইনক জালত পেলোৱাত বহু ৰহস্য ফাদিল হ'ব ধৰিছে। উপ-আৰক্ষী অধীক্ষক বুলি চিনাকী দি জাবিৰ হুছেইনে বহু লোকক প্ৰৱঞ্চনা কৰিব পাৰে বুলি সন্দেহ কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। জানিব পৰা মতে, কৰিমগঞ্জৰ কালীগঞ্জৰ অৱসৰপ্ৰাপ্ত শিক্ষক আতিক আহমেদ চৌধুৰীক টাৰ্গেট কৰি লৈছিল জাবিৰে। আতিক আহমেদ চৌধুৰীৰ বাবে যুৱতীয়ে আত্মহত্যা কৰাৰ অভিযোগ আনি গোচৰ তৰা বুলি কয়। যুৱতীৰ ভিডিঅ', ফটোৰ বাবে আত্মহত্যা কৰাৰ অভিযোগ আনি যদি বাচিব খোজে তেন্তে ধন দি গোচৰ নিষ্পত্তি কৰিবলৈ চৰ্ত দিয়ে আতিক আহমেদ চৌধুৰীক। বাৰে বাৰে টকা দি গোচৰ নিষ্পত্তি কৰিবলৈ হেঁচা দিয়াত আতিক আহমেদ চৌধুৰী আৰক্ষীৰ কাষ চাপে। আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰি গম পায় যে বৰাক উপত্যকাত ছাহজাহান উদ্দিন লস্কৰ নামৰ কোনো আৰক্ষী বিষয়াই নাই। লগে লগে অভিযান চলাই ছাহজাহান উদ্দিন লস্কৰ বুলি চিনাকী দিয়া জাবিৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। কেৱল এজন লোকেই নহয়। বহু লোকৰ পৰা ধন সৰকোৱাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে। কৰিমগঞ্জৰ ভুৱা ডিএছপি শ্বাহজাহান উদ্দিন লস্কৰৰ চক্ৰান্ত পোহৰলৈ আহিছে। জানিব পৰা মতে, ফেচবুকত চিনাকী হৈ এই কাণ্ড কৰি গৈছিল জাবিৰে। জাবিৰে প্ৰথম ফেচবুকত ঘনিষ্ঠ হয়। চা-চিনাকি হৈ ঠিকনা লয়। তেনেদৰেই অৱসৰপ্ৰাপ্ত শিক্ষক আতিক আহমেদ চৌধুৰীৰ সৈতে ঘনিষ্ঠ হয় ভুৱা ডিএছপি জাবিৰ। হঠাৎ এদিন আতিক আহমেদ চৌধুৰীৰ ঘৰত উপস্থিত হয় ভুৱা জাবিৰ। লগত আহে এগৰাকী যুৱতী। যুৱতীয়ে সুনিতা পাল বুলি পৰিচয় দি কিছু সময় কটাই জাবিৰ আৰু সুনিতাই আতিক আহমেদৰ ঘৰৰ পৰা গুছি যায়। সেই সময়ত যুৱতীয়ে বাৰে বাৰে চৌধুৰীৰ ওচৰলৈ গৈছিল। গাত হাত দিয়াৰ লগতে বিভিন্ন অংগী-ভংগী কৰিছিল। প্ৰকৃততে গোপন কেমেৰাৰে সমস্ত ৰেকৰ্ড কৰি লৈছিল জাবিৰে। তাৰ পাছতে আৰম্ভ হয় প্ৰৱঞ্চনা। অৱসৰপ্ৰাপ্ত শিক্ষক আতিক আহমেদ চৌধুৰীক বাৰে বাৰে ফোন কৰি লগ ধৰি সুনিতাৰ সৈতে থকা কেইটামান ভিডিঅ' আৰু ফটো চৌধুৰীক দিয়ে। আতিক আহমেদ চৌধুৰীক কয় যে আপোনাৰ বাবে সুনিতা পালে আত্মহত্যা কৰিছে। আত্মহত্যাৰ পূৰ্বে লিখা নোটত আতিক আহমেদ চৌধুৰীৰ নাম লিখি থৈ গৈছে। সুনিতাৰ অন্তিম টোকাত নাম পোৱাত ভনীয়েক সুস্মিতা পালে এজাহাৰত চৌধুৰীৰ নাম দিয়া বুলি কয়। কৰিমগঞ্জ আৰক্ষীৰ হৈ গ্ৰেপ্তাৰৰ ভাবুকি দিয়ে। আৰক্ষীৰ ভাবুকিত শংকিত হৈ অৱসৰপ্ৰাপ্ত শিক্ষক চৌধুৰীয়ে ৫ লাখ টকা দিয়ে। কিন্তু ১০ লাখ টকা দিলেহে গোচৰ নিষ্পত্তিৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু যেতিয়া শিক্ষকজনে ভাবিলে যে মই কোনো ভুল নকৰাকৈ টকা দিয়াটো ভুল হৈছে। তেতিয়া কৰিমগঞ্জ আৰক্ষীৰ কাষ চাপে। ডিএছপিৰ ওপৰত সন্দেহ কৰি কৰিমগঞ্জ থানাত এজাহাৰ দিয়ে। আতিক আহমেদ চৌধুৰীৰ এজাহাৰ দেখি হতভম্ব আৰক্ষীয়ে যেতিয়া জাবিৰ হুছেইন তথা ভুৱা ডিএছপি ছাহজাহান উদ্দিন লস্কৰক গ্ৰেপ্তাৰ কৰিলে তেতিয়া উৰহীৰ ওৰ ওলাই পৰিল। ডিএছপি ছাহজাহান উদ্দিন লস্কৰ প্ৰকৃততে জাবিৰ হুছেইন নামৰ এজন প্ৰবঞ্চকহে।

# মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ত 'এক পেড় মা কে নাম' শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ




ই-সংবাদ, ৰঙিয়া, ৬ নৱেম্বৰঃ ৰঙিয়াৰ মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ত কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ কামৰূপৰ উদ্যোগত আজি "এক পেড় মা কে নাম" শীৰ্ষক সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্বেচ্ছাসেৱী সংস্থা সমৃদ্ধিৰ সহযোগত পহিলা নৱেম্বৰৰ পৰা ৭ নৱেম্বৰলৈ ভিন্ন প্ৰান্তত অনুষ্ঠিত কৰি অহা সজাগতা মূলক কাৰ্যসূচীৰ অংশ হিচাপে আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত ৰূপায়ণ কৰা হয় বিস্তৃত কাৰ্যসূচী। কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত সভাত সমলব্যাক্তি ৰূপে অংশগ্ৰহণ কৰে মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা প্ৰসন্ন দাস বৈশ্য, নেহৰু যুৱ কেন্দ্ৰ কামৰূপৰ গাণনিক বিষয়া গোপীনাথ দাস, ৰাষ্ট্ৰীয় বটা প্ৰাপক প্ৰশিক্ষক হীতেন্দ্ৰ শৰ্মা, অধ্যাপক ডঃ মনোজ গোস্বামী, বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতাই। অধ্যাপক ডঃ হবিবুল হক আৰু সমৃদ্ধিৰ সম্পাদক দিকেন ডেকাই আঁত ধৰা অনুষ্ঠানটোত সমবেত কেবা শতাধিক ছাত্ৰীক উদ্দেশ্যি গছপুলি ৰোপণ তথা বৃক্ষ সংৰক্ষণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য ৰাখে সমল ব্যাক্তি সকলে। ভাষণ প্ৰসংগত দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে এক পেড় মা কে নাম শীৰ্ষক শ্লোগানেৰে ৰাষ্ট্ৰবাসীৰ প্ৰতি বৃক্ষ সংৰক্ষণৰ বাবে জনোৱা আহ্বানৰ সন্দৰ্ভতো আলোকপাত কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে পৰিৱেশ সংৰক্ষণ আধাৰিত প্ৰশ্ন সম্বলিত কুইজ প্ৰতিযোগিতা ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা হয়। ইয়াৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ চৌহদত ২০ জোপা গছপুলিও ৰোপণ কৰা হয়।

# উৰিয়ামঘাটৰ লক্ষীপুৰত মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, সৰুপথাৰ, ৬ নৱেম্বৰঃ** সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাট আৰক্ষী থানাৰ অন্তৰ্গত ২নং লক্ষীপুৰত আজি পুৱাৰ ভাগতে এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনা সূত্ৰে প্ৰকাশ যে, চি চেক্টৰৰ ২নং লক্ষীপুৰৰ লোক নিৰ্মাণ বিভাগৰ জিৰণি গৃহ তথা ভাৰতীয় জনতা পাৰ্টি উৰিয়ামঘাট মণ্ডল বি জে পিৰ কাৰ্যালয়ৰ সমীপত থকা বিলৰ কাষত তললৈ মূৰ কৰি পৰি থকা অৱস্থাত এটা মৃতদেহ স্থানীয় লোকে প্ৰত্যক্ষ কৰে। প্ৰথম অৱস্থাত মৃতদেহটো চিনাক্ত হোৱা নাছিল যদিও পৰৱৰ্তী সময়ত উক্ত মৃতদেহটো স্থানীয় লক্ষীপথাৰ গাঁৱৰ নিৱাসী খৰ্ক বাহাদুৰ পিঠাকটেৰ (৭০) বুলি পৰিয়ালবৰ্গই চিনাক্ত কৰে। পৰিয়ালৰ সূত্ৰে জানিবলৈ দিয়া মতে যোৱা ৩ নৱেম্বৰ তাৰিখে খৰ্ক বাহাদুৰ পিঠাকটে য়ে ২নং ৰজাপুখুৰী দাৰা গাঁৱত ভাতৃ দ্বিতীয়াৰ দিনা ভাই ফোটা লগাই ঘৰলৈ আহি থকা অৱস্থাত নিৰুদ্দেশ হৈ আছিল। ঘটনাৰ খবৰ পাই উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অলংকাৰ বৰাই ঘটনাস্থলীলৈ গৈ দণ্ডাধীশৰ উপস্থিতত মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# জনপ্ৰতিনিধিয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ ৰাইজৰ

# চতিয়াত পথৰ দুৰৱস্থাৰ বাবেই বিয়াত বাধাৰ সন্মুখীন!

**ই-সংবাদ, চতিয়া, ৬ নৱেম্বৰঃ** নগৰ চহৰৰ বাট পথৰ অৱস্থা উন্নত হৈছে যদিও ভিতৰুৱা গাওঁ অঞ্চলৰ বাট পথে ৰাইজক খুৱাইছে জ্বলা-কলা। চৰকাৰে কৈ থকাৰ দৰে নগৰ, চহৰ, গাওঁ সকলোতে উন্নয়নৰ ঢৌৱে চুই গৈছে বুলি যি শ্লগান আওঁৰাই আছে তাক মিছা প্ৰমাণিত কৰিছে বিশ্বনাথ বিধানসভা সমষ্টিৰ চতিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ২ নং চতিয়া গাওঁ পঞ্চায়তৰ বাট পথে। গাঁৱৰ উন্নয়নৰ বাবে চৰকাৰে পঞ্চায়ত সমূহলৈ কোটি কোটি টকা আৱণ্টন দিলে যদিও একাংশ পঞ্চায়ত প্ৰতিনিধিয়ে ছাগলীয়ে গছৰ পাত খোৱাৰ দৰে গ্ৰাম্য উন্নয়নৰ ধন চোবোৱাত গ্ৰাম্য উন্নয়ন বহু যোজন আতৰতে থাকিল। চতিয়া ২ নং গাওঁ পঞ্চায়ৰ অন্তৰ্গত নিজ গড়পাল-মাজুলীআটী গাঁৱৰ পথৰ দুৰৱস্থাই উন্নয়নৰ ঢাক-ঢোল বজাই ফুৰা ড'বল ইঞ্জিনৰ চৰকাৰৰ উন্নয়নৰ ফ'পুলা স্বৰূপ উদঙাই দিছে। বৰষুণৰ বতৰত কোনো কলৈয়ো ওলাই যাব নোৱাৰা অৱস্থা। মটৰচাইকেল,গাড়ী উলিয়াবলৈ সাহস নকৰে গঞাই। ইফালে অতি দুৰ্ভাগ্যজনক কথা হ'ল বাট-পথৰ দুৰৱস্থাৰ বাবে নিজ গড়পাল, মাজলিআটিত আন কোনোবা ঠাইৰ ব্যক্তিয়ে ল'ৰা-ছোৱালী বিয়া দিবলৈ নিবিচাৰে, বিয়া কৰাবলৈ নিবিচাৰে। এতিয়া ৰাইজৰ ক্ষোভ পঞ্চায়তৰ কাৰ্যকাল চলি থকাৰ সময়তে বাৰম্বাৰ পঞ্চায়ত প্ৰতিনিধিক অনুৰোধ কৰাৰ পিছতো গুৰুত্ব নিদিলে। ফলত আজি পথৰ দুৰৱস্থাৰ বাবেই এক প্ৰকাৰৰ গৃহ বন্দীৰ দৰে হৈ পৰিছে নিজ গড়পালৰ মাজুলী আটী গাঁৱৰ ৰাইজ।



মুছলমান মহিলাসকলক লৈ চামগুৰিত বিজেপি প্ৰাৰ্থীৰ মিটিং, ফটো বুধবাৰৰ

# লিহিৰি ইক' ক্লাবৰ তিনিদিনীয়া পখিলা নিৰীক্ষণ, প্ৰশিক্ষণ, সংৰক্ষণ আৰু সজাগতা অনুষ্ঠান



**ই-সংবাদ, ডুমডুমা, ৬ নৱেম্বৰঃ** লিহিৰি ইক' ক্লাব, তিনিচুকীয়াৰ উদ্যোগত তথা অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ সৌজন্যত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত চলিত বৰ্ষৰ যোৱা ১৯, ২০ আৰু ২১ জুলাইত 'পখিলা নিৰীক্ষণ, প্ৰশিক্ষণ, সংৰক্ষণ আৰু সজাগতা অনুষ্ঠান' অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল যদিও অসুবিধাৱশত যোৱা ২০ আৰু ২১ ছেপ্টেম্বৰৰ লগতে আজি দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিভিন্ন ঠাই, মাগুৰি বিলৰ ঘাঁহনি এলেকা, ভেৰজান বন্যপ্ৰাণী অভয়াৰণ্য, বাঘজান-দীঘলটৰং হাইস্কুল, বাঘজান অঞ্চলৰ বিভিন্ন ঠাইত 'পখিলা নিৰীক্ষণ, প্ৰশিক্ষণ, সংৰক্ষণ আৰু সজাগতা অনুষ্ঠান' অনুষ্ঠিত কৰে। এই অনুষ্ঠানৰ জৰিয়তে প্ৰাকৃতিক পৰিৱেশত পখিলাৰ গুৰুত্ব, প্ৰশিক্ষণ আৰু সংৰক্ষণ সম্পৰ্কে বাঘজান-দীঘলটৰং ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ শিক্ষক ৰঞ্জিত দাস, লিহিৰি ইক' ক্লাবৰ সভাপতি তথা যুৱ পৰিৱেশকৰ্মী পাপুল গগৈয়ে বাঘজান, দীঘলটৰং অঞ্চলৰ শিশু, যুৱক-যুৱতী, তিনিচুকীয়া জিলাৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিশদভাৱে অৱগত কৰে। উল্লেখ্য যে, তিনিদিনীয়া কাৰ্যসূচীত ৭৬ বিধ প্ৰজাতিতকৈ অধিক পখিলা লিপিবদ্ধ কৰে। বাঘজান-দীঘলটৰং হাইস্কুলত আজি অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত বিদ্যালয়ৰ চৌহদত ২১ বিধ প্ৰজাতিৰ পখিলা নিৰীক্ষণ কৰে। ইয়াৰ ভিতৰত গ্ৰেট মৰ্মুন, কমন মৰ্মুন, পেৰিচ পিকক, পিকক পেন্সি, গ্ৰে পেন্সি, চকলেট এলবাট্ৰছ, ব্লু-বটল, প্লেইন টাইগাৰ, কমন ফ'ৰিং, লাইম বাটাৰফ্লাই, স্মল ব্ৰেণ্ডেট চুইফ্ট, গ্ৰেট ইগফ্লাই, গ্ৰাছ ইয়েল', কমন টাইগাৰ ইত্যাদি। অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে যথেষ্ট উপকৃত হোৱাৰ লগতে পখিলা সংৰক্ষণৰ ক্ষেত্ৰত সজাগ হ'ব বুলি লিহিৰি ইক' ক্লাবৰ সম্পাদক সোনজিত মৰাণে আশা প্ৰকাশ কৰিছে। লগতে ক্লাবে অনাগত দিনতো এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি যাব বুলি উপ-সভাপতি বিতুপন মৰাণে জানিবলৈ দিয়ে।

# শিঙিমাৰী জগদ্ধাত্ৰী পূজাৰ হীৰক জয়ন্তীৰ বৰ্ণাঢ্য আয়োজন

**ই-সংবাদ, শুৱালকুছি, ৬ নৱেম্বৰঃ** কামৰূপ জিলাৰ শিঙিমাৰী সাৰ্বজনীন শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ এই বেলি 'হীৰক জয়ন্তী মহোৎসৱ' ৬ নৱেম্বৰৰ পৰা ১২ নৱেম্বৰলৈ সাদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে শিঙিমাৰী আঞ্চলিক ৰাইজে ব্যাপক আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি ৬ নৱেম্বৰত পুৱা ১০ বজাত গণেশ পূজা, সন্ধিয়া ৬ বজাত পূৰ্ব পুৰুষৰ স্মৃতিত এহেজাৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰিব অনিল দাস, কমল কুমাৰ গোস্বামী আৰু ৰাহুল বৰ্মনে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে আয়তীসকলৰ নাম প্ৰসংগ, ওজাপালি পৰিৱেশন আৰু ঢোল বাদন পৰিৱেশন কৰিব। ৭ নৱেম্বৰত পুৱা ১০ বজাত আয়তীসকলৰ নাম-প্ৰসংগ, সন্ধিয়া ৫ বজাত দেৱীৰ বোধন আৰু অধিবাস, সন্ধিয়া ৬ বজাত পূৰ্ব পুৰুষৰ স্মৃতিত এহেজাৰ বন্তি প্ৰজ্বলন কৰিব বিজেপি নেতা প্ৰকাশ চন্দ্ৰ দাস আৰু মানিক দাসে, সন্ধিয়া আতচবাজী প্ৰদৰ্শন, নাগাৰা নাম পৰিৱেশন আৰু ঢোল বাদন পৰিৱেশন, ওজাপালি পৰিৱেশন আৰু নিশা মহিলাৰ নাগাৰা নাম পৰিৱেশন কৰিব। ৮ নৱেম্বৰত পুৱা দেৱীৰ নৱ-পত্ৰিকা প্ৰৱেশ আৰু সপ্তমী বিহিত পূজাৰম্ভ, পানীতোলন আৰু দোণ আমন্ত্ৰণ, পুৱা ৯.৩০ বজাত মূল ধৰ্মধ্বজা উত্তোলন কৰিব হীৰক জয়ন্তী মহোৎসৱৰ সভাপতি তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। আনহাতে, হীৰক জয়ন্তী মহোৎসৱত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব ৰিণিকি ভূঞা শৰ্মাই।

# বেকাজানত ধুমুহা-শিলাবৃষ্টি, বিদ্যুত যোগান ব্যাহত

**ই-সংবাদ, তিতাবৰ, ৬ নৱেম্বৰঃ** আজি বিয়লি অহা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিয়ে তিতাবৰ উপজিলাৰ অসম নাগালেণ্ড সীমান্তৰ বেকাজানৰ কেইবাখনো গাঁৱৰ বহু ঘৰ-দুৱাৰ, টিনপাত উৰুৱাই নিয়াৰ লগতে গছ-গছনি ভাঙি তাণ্ডৱ চলায়। আজি বিয়লি প্ৰায় ৩.৩০ বজাত অহা ধুমুহাজাকে নহটীয়া চেনিজান বাষষ্ঠি ঘৰীয়া গোহাঁই গাঁও বালিজানত গছ ভাঙে। নহটীয়া গাঁৱত গছ বাগৰি কেইবাটাও ঘৰ ভগাৰ উপৰি পথ বন্ধ হৈ পৰে। ইফালে, ধুমুহাৰ পিছত শিলাবৃষ্টি হোৱাত কৃষক ৰাইজৰ পকা ধান নষ্ট হয়। ইফালে, এই ধুমুহাৰ ফলত ৩৬ ঘৰীয়া, এশঘৰীয়া, নহটীয়া, গায়নবাৰী আৰু বাষষ্ঠি ঘৰ আদি গাঁৱৰ ৰাস্তা আৰু বিদ্যুতৰ তাঁৰত গছ বাগৰি পৰাত ঠায়ে ঠায়ে বিদ্যুৎ যোগান আৰু যাতায়াত ব্যাহত হৈ পৰে



মন্ত্ৰীৰ শিশু প্ৰেম, ফটো ধলাইৰ



বিহালীত 'অসম'ৰ প্ৰাৰ্থীৰ হৈ অখিল গগৈৰ নিৰ্বাচনী প্ৰচাৰ সভা

## মৰিয়নিৰ চেলেংহাটত 'আস্থা দিন' পালন

# ড০ শংকৰ পাটোৱাৰীলৈ ভূপেন হাজৰিকা সোঁৱৰণী-২০২৪ সমন্বয় বঁটা

**ই-সংবাদ, মৰিয়নি, ৬ নৱেম্বৰঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি যোৰহাট জিলাৰ চেলেংহাটত আয়োজন কৰা "আস্থা দিন" অনুষ্ঠানত ভূপেন্দ্ৰ সংগীতৰ বিশিষ্ট গৱেষক তথা ধেমাজি বানিজ্য মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° শংকৰ পাটোৱাৰীক যোৱা ৫ নৱেম্বৰ মঙ্গলবাৰে আনুষ্ঠানিকভাৱে ভাৰতৰত্ন ড০ ভূপেন হাজৰিকা সোঁৱৰণী সমন্বয় বঁটা ২০২৪ প্ৰদান কৰা হয়। বিশিষ্ট গৱেষক গৰাকীলৈ এই বঁটা আগবঢ়াইছে যোৰহাট জিলাৰ মৰিয়নি চেলেংহাটৰ অগ্ৰণী সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰে। চেলেংহাটৰ বৰনগঞা গাঁৱৰ পুথি ভঁৰাল পেক্ষাগৃহত সুধাকণ্ঠৰ মৃত্যু দিৱস উপলক্ষে আয়োজন কৰা "আস্থা দিন" শীৰ্ষক অনুষ্ঠানত আজি সন্ধিয়া বিশিষ্ট গৱেষকগৰাকীক এক আড়ম্বৰ পূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰে যোৰহাট সংগীত বিদ্যালয়ৰ অধ্যক্ষ তথা, বিশিষ্ট বিজ্ঞানী ড° কৰুণা কান্ত শৰ্মাই। উল্লেখ্য যোগ্য যে, ড০ শংকৰ পাটোৱাৰীয়ে "ড০ ভূপেন হাজৰিকাৰ গীতৰ বিশেষ প্ৰসংগেৰে অসমীয়া গীতি-কবিতাত জাতীয়তাবাদ" শীৰ্ষক গৱেষণা পত্ৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।উল্লেখ্য যে, সুধাকণ্ঠৰ মৃত্যু দিনটোক চেলেংহাটৰ উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰে "আস্থা দিন" ৰূপে পালন কৰি অহা লগতে প্ৰতিবছৰে চেলেংহাটৰ বিশিষ্ট শিক্ষাবিদ প্ৰয়াত পুনাৰাম গগৈ আৰু জয়দা গগৈ ফাউণ্ডেচনৰ তৰফৰ পৰা ভূপেন্দ্ৰ সংগীতৰ একনিষ্ঠ সাধক, গৱেষক তথা বিশিষ্ট সংগীত শিল্পীক সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সোঁৱৰণী সমন্বয় বঁটা আগবঢ়াই আহিছে।বঁটা গ্ৰহণ কৰি বিশিষ্ট গৱেষক ড০ শংকৰ পাটোৱাৰীয়ে অভিভূত হৈ পৰা বুলি প্ৰকাশ কৰি ভূপেন হাজৰিকাৰ আশীৰ্বাদ থকাৰ বাবেহে অসমৰ এটা চুকৰ পৰা আহি এনে সন্মান গ্ৰহণ কৰিবলৈ সৌভাগ্য হোৱা বুলি মন্তব্য কৰে। আনহাতে এই বঁটাত আছে নগদ ধনৰ টোপোলা, এখনি প্ৰশস্তি পত্ৰ, সুধাকণ্ঠৰ স্মাৰক ৰূপৰ তঁৰা খচিত এটি টুপী লগতে এখন চেলেং চাদৰ। "আস্থা দিন" উদযাপনৰ লগত সংগতি ৰাখি বিশিষ্ট কবি ৰঞ্জিত গগৈৰ সম্পাদনাত প্ৰকাশ কৰা "সুন্দৰ সূৰ্য ধিয়াই নতুন দিগন্তলৈ" শীৰ্ষক স্মৃতিগ্ৰন্থ খন উন্মোচন কৰে টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত পাঠকে।

# গোলাঘাটত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান

**ই-সংবাদ, মাজুলী, ৬ নৱেম্বৰঃ** সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা আৰু ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিয়ে কালি গোলাঘাটত আয়োজিত এক অনুষ্ঠানত মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীক সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি সত্ৰাধিকাৰগৰাকী সত্ৰখনত উপস্থিত হোৱাৰ পাছতেই আজি সত্ৰখনত সত্ৰাধিকাৰ চ'ৰাত সত্ৰাধিকাৰগৰাকীক সাক্ষাৎ কৰি অঞ্চলৰ ৰাইজে বঁটা লাভ কৰাৰ বাবে অভিনন্দন আৰু শুভেচ্ছা জনায়। সত্ৰখনৰ বৈষ্ণৱ তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটিত সত্ৰাধিকাৰগৰাকীৰ সাধনাৰ স্বীকৃতি স্বৰূপে যি সন্মান প্ৰদান কৰিলে এই সন্মানে আমাক অঞ্চলবাসীৰ লগতে মাজুলীবাসীক গৌৰান্বিত কৰিছে বুলি উল্লেখ কৰে। অঞ্চলবাসীৰ হৈ সত্ৰাধিকাৰগৰাকীক চেলেং, পিতলৰ জাপিৰে অভিনন্দন জনায়। অনুষ্ঠানতেই আউনীআটী লেখিকা সমাৰোহ সমিতিৰ হৈ মৃণালি দেৱী, অৰ্চনা বৰা আৰু মিলন্তি বৰাই সম্বৰ্ধনা জনায়। অভিনন্দন অনুষ্ঠানটোত সমাজকৰ্মী জগত হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰূপেশ্বৰ বৰা, ৰমেশ বৰা, সত্ৰ সংৰক্ষিনি সভাৰ সম্পাদক ললিত বৰা, আউনীআটী অধ্যয়ন কেন্দ্ৰৰ গোবিন ওজা, সমাজকৰ্মী যুগৰ ভূঞা, সাংবাদিক পৰাণজ্যোতি বৰা, উৎপল বৰাকে আদি কৰি সত্ৰৰ বৈষ্ণৱসকল উপস্থিতি থাকে। অনুষ্ঠানতেই সমাগত ৰাস, পালনামৰ প্ৰতি লক্ষ ৰাখি মাজুলী-নিমাতী ঘাটৰ মাজত চলাচল কৰা ফেৰী সেৱা সুচল কৰা, ফেৰী ঘাটৰ পৰা মাজুলীৰ মূল স্থানসমূহলৈ যাতে যাত্ৰীসকল আহিব পাৰে তাৰ বাবে অতিৰিক্ত গাড়ীৰ ব্যৱস্থা কৰা, বিদ্যুৎ সেৱা নিয়মীয়া কৰা আদি দিশবিলাক জিলা প্ৰশাসনক দৃষ্টি ৰাখিবলৈ সভাত আহ্বান জনায়।

# নগাঁৱৰ উদমাৰীত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক এজন

**ই-সংবাদ, বেবেজীয়া, ৬ নৱেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো দীৰ্ঘদিনৰ পৰা অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। কিন্তু আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ ড্ৰাগছ ব্যৱসায়ী চক্ৰই আৰক্ষীলৈ কেৰেপ নকৰি চলাই আহিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। ইয়াৰ মাজতে জিলাখনৰ জুৰীয়া আৰক্ষীৰ জালত পৰে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ এটা সৰবৰাহকাৰী। ধৃত সৰবৰাহকাৰীটো হৈছে উদমাৰীৰ বাবুল ইছলাম। এক গোপন সূত্ৰৰ পম খেদি জুৰীয়া আৰক্ষী থানাৰ উপ-পৰিদৰ্শক শান্তনু দত্তৰ নেতৃত্বত আৰক্ষীৰ দলে মঙলবাৰে নিশা উদমাৰীত অভিযান চলাই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এই অভিযানত আৰক্ষীয়ে সৰবৰাহকাৰী বাবুল ইছলামৰ পৰা ১২ টা কণ্টেইনাৰত থকা ২.১৮ গ্ৰাম ড্ৰাগছ জব্দ কৰে। দীৰ্ঘদিনৰ পৰা আৰক্ষীৰ চকুত ধূলি দি ধৃত সৰবৰাহকাৰীটোৱে ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে।



চামগুৰিত বুথে বুথে নিৰ্বাচনী প্ৰচাৰ চলাইছে মন্ত্ৰী বিমল বৰাই, ফটো মঙলবাৰৰ

# হোজাইত ছয় সংগঠনৰ উদ্যোগত সুধাকণ্ঠৰ স্মৃতি দিৱস

**ই-সংবাদ, মোৰাঝাৰ, ৬ নৱেম্বৰঃ** হোজাই সাহিত্য সভা, অসম নাট্য সন্মিলন, হোজাই সদৰ শাখা, হোজাই জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন, হোজাই জিলা সাংস্কৃতিক মহাসভা,কৰুণাধাৰা আৰু অংকুৰ সংঘৰ যৌথ উদ্যোগত সংঘৰ সুধাকণ্ঠ ডও ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চত দিনজোৰা কাৰ্যসূচীৰে সুধাকণ্ঠৰ ত্ৰয়োদশ বাৰ্ষিক স্মৃতি দিৱসটি অনুষ্ঠিত কৰা হয়।সেইদিনা পুৱা ৮-৪৫ মিনিটত ছয়টা সংগঠনৰ সভাপতিসকলে নিজৰ নিজৰ সংগঠনৰ পতাকা উত্তোলন কৰাৰ লগতে অসম সংগীত পৰিৱেশন কৰা হয়। পুৱা ৯-০০ বজাত সুধাকণ্ঠৰ আৱক্ষ মূৰ্তিৰ বেদীত এগছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলী অনুষ্ঠান মুকলি কৰে ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নৱাগত উপাচাৰ্য অধ্যাপক মনবেন্দ্ৰ দত্ত চৌধুৰীয়ে।উপস্থিত বিশিষ্ট নাগৰিকসকলে পুষ্পাঞ্জলি প্ৰদানৰ সময়ত হোজাই সাহিত্য সভা আৰু অংকুৰ সংঘৰ মহিলাসকলে সমবেত কণ্ঠত ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি অনুষ্ঠানটিৰ গাম্ভীৰ্য বৰ্ধন কৰে। নিজস্ব ভাষণত মুখ্য তৰ্পক উপাচাৰ্যগৰাকীয়ে কয় যে, ভূপেন হাজৰিকাই অসমীয়া জাতিক বিশ্ববাসীৰ অন্তৰত এটা সুকীয়া পৰিচিতি দি গ'ল।মানৱ প্ৰেমৰ বাৰ্তাবাহক মহান শিল্পীজনাৰ আজি সমগ্ৰ বিশ্বখনেই নিজস্ব ঠিকনা।স্মৃতিদিৱস উপলক্ষে পুৱা ১০-০০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত 'ভূপেন হাজৰিকাৰ গীতত স্বদেশ আৰু স্বজাতি প্ৰেম' শীৰ্ষক বক্তৃতা প্ৰতিযোগিতাত মৰিয়ম আজমল কলেজৰ ছাত্ৰী ভাস্বতী গোস্বামীয়ে প্ৰথম, আব্দুল হাছিব উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰী যথাক্ৰমে আবিদা খাতুন আৰু ফাৰিয়ান জাফৰিনে দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে।দুপৰীয়া ১২ বজাৰ পৰা জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা আমন্ত্ৰিত শিল্পীসকলে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে।প্ৰায় ত্ৰিছগৰাকীৰ কণ্ঠ শিল্পীৰ গীত পৰিৱেশনেৰে জীপাল কৰা অনুষ্ঠানটিৰ আঁতধৰে অনাতাঁৰ শিল্পী পদ্মিনী ডাওলাগুফুৱে। বিয়লি ২-০০ বজাৰ পৰা অনুষ্ঠিত বঁটা প্ৰদান আৰু মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত কাজিৰঙা লোকসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ভূপেন হাজৰিকাদেৱৰ আদৰ্শ আৰু জাতিটোক সংঘবদ্ধ কৰি ৰখাৰ বাবে কৰা সংগ্ৰামৰ কথাবোৰ বিশ্লেষণ কৰি উত্তৰ পুৰুষে সুধাকণ্ঠৰ বিষয়ে অধিক আগ্ৰহী হ'ব লাগিব বুলি কয়।আজিৰ প্ৰজন্মই ডি-জে সংস্কৃতি আৰু পাৰ্টিমুখী গতি পৰিহাৰ কৰি নিজৰ জাতীয় শিল্প-সংস্কৃতিৰ প্ৰতি আকৃষ্ট নহ'লে অসমীয়া জাতীয় জীৱনৰ সংকট দূৰ নহয় বুলিও আক্ষেপেৰে কয়। বিশিষ্ট অতিথিৰূপে উপস্থিত স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে অংকুৰ সংঘই ভূপেন হাজৰিকাৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ প্ৰতিবছৰে লৈ অহা প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে সংঘই নিজৰ মাটিখিনিত ভূপেন হাজৰিকাৰ সাংস্কৃতিক প্ৰকল্প এটি নিৰ্মাণৰ বাবে মনস্থ কৰা কাৰ্যৰো প্ৰশংসা কৰে।

# মুছলপুৰত সুধাকণ্ঠৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী পালন



**ই সংবাদ, মুছলপুৰ, ৬ নৱেম্বৰ:** বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী গাৰামদেউতো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয় সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী । বাক্সা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা গাৰামদেউ শাখা ছাত্ৰ সন্থা আৰু গাৰামদেউবাসী ৰাইজৰ আতিথ্যত অনুষ্ঠিত ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে পুৱাই পতাকা উত্তোলন কৰে বাক্সা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰে, স্মৃতি তৰ্পণ কৰে সম্পাদক মনোজ হালৈয়ে । ইয়াৰ পিছতে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে গাৰামদেউ নৱ যুৱক সংঘৰ সম্পাদক দয়াল কলিতা আৰু গাৰামদেউ শাখা ছাত্ৰ সন্থাৰ সম্পাদক জয়ন্ত কলিতাই । দিনৰ ভাগত শাস্ত্ৰ-পাঠ, নাম-প্ৰসঙ্গৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয় । আবেলি আমন্ত্ৰিত নাগাৰা নাম দলে নাম পৰিৱেশন কৰে । তাৰপাছতে বাক্সা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ তালুকদাৰে সভাপতিত্ব কৰা ড° ভূপেন হাজৰিকা স্মৃতিচাৰণ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিকাছি জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰৱক্তা ড° উৎপল ডেকাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱনৰ ওপৰত আলোকপাত কৰে । সভাত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কংকনজ্যোতি শৰ্মাইও ড° ভূপেন হাজৰিকাৰ স্মৃতিচাৰণ কৰে । উল্লেখ্য যে, যুৱ সাংবাদিক জিন্টুমণি দাসে আঁত ধৰা উক্ত সভাখন উদ্বোধন কৰে সদৌ বাক্সা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুক্ম ৰাইয়ে । সভাত বাক্সা জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, বাক্সা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, অসম উন্নতি সভাৰ বাক্সা জিলা সমিতিৰ বিষয়ববীয়া, অসম সেনা বাক্সা জিলা সমিতিৰ বিষয়ববীয়া, গাৰামদেউ লক্ষ্মী পূজা উদযাপন সমিতিৰ সভাপতি ভৱানন্দ দাস, উপদেষ্টা গৌৰী কলিতা, গাৰামদেউ নৱ যুৱক সংঘৰ বিষয়ববীয়া, স্থানীয় কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল । উক্ত সভাৰ পিছতে বাক্সা জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হৰেকৃষ্ণ পাঠকে উন্মোচন কৰা সাংস্কৃতিক অনুষ্ঠানত কেবাগৰাকীও কণ্ঠশিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰে ।

## অসমৰ চাৰিখন জিলাৰ জলজীৱন মিছন আঁচনি পৰিদৰ্শন

# শিৱসাগৰৰ গাঁৱে গাঁৱে আই আই টিৰ বিশেষজ্ঞ দল

**ই-সংবাদ, শিৱসাগৰ, ৬ নৱেম্বৰঃ** ঘৰে ঘৰে বিশুদ্ধ খোৱা পানী যোগানৰ লক্ষ্যৰে দেশজুৰি ভাৰত চৰকাৰে ৰূপায়ণ কৰা জলজীৱন আঁচনিখন অসমত কিমান সফল হৈছে, কি অৱস্থাত আছে সেই বিষয়ে নিৰপেক্ষ বিশেষজ্ঞ দলৰ যোগেদি ক্ষেত্ৰভিত্তিক নিৰীক্ষণৰ কাম আৰম্ভ কৰিছে চৰকাৰে। অসমত উজনি অসমৰ পৰাই আৰম্ভ কৰিছে এই ছাৰ্ভে তথা ক্ষেত্ৰভিত্তীক অধ্যয়ন। আজি চৰকাৰে নিয়োগ কৰা আই আই টি, মাদ্ৰাজ(IIT MADRAS )ৰ দুগৰাকী বিশেষজ্ঞই শিৱসাগৰ জিলাৰ গ্ৰামাঞ্চলসমূহত ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰে। বিশেষজ্ঞ দুগৰাকী ক্ৰমে চাথিয়াছিলান আৰু সিদ্ধাৰ্থ ভৌমিক। শিৱসাগৰ আৰু ডিব্ৰুগড় জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাসহ একাংশ বিষয়ববীয়াক লগত লৈ আই আই টি, মাদ্ৰাজৰ এই বিশেষজ্ঞ দুগৰাকীয়ে শিৱসাগৰ পানবেছা চাপৰিচুক জল জীৱন আঁচনি, লাচন গাঁও জল জীৱন আঁচনি, পালেঙী জল জীৱন আঁচনি, দুলীয়া ডিব্ৰুৱাল আঁচনি, বেড়িয়া বস্তি জল জীৱন আঁচনিসহ দহখন আঁচনি পৰিদৰ্শন কৰে। এই সময়ছোৱাত দলটোৱে আঁচনিসমূহৰ পৰা ওলোৱা পানী বিশুদ্ধ হয় নে নহয়, সংশ্লিষ্ট ৰাইজে পানী পাইছে নে নাই পোৱা, নিয়মীয়া নে অনিয়মীয়া আদিৰ বুজ লয়। ইয়াৰ বাবে তেওঁলোকে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। এতিয়ালৈকে যি কেইখন আঁচনি নিৰীক্ষণ কৰিলে সেই কেইখন সঠিকভাৱে কাৰ্যক্ষম হৈ থকা বুলি জানিবলৈ দিয়ে বিশেষজ্ঞ দুজনে। তেওঁলোকক সহযোগ কৰা ডিব্ৰুগড়স্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীক্ষক অভিযন্তা ভাস্কৰ শৰ্মাই এনেধৰণৰ নিৰীক্ষণে জলজীৱন আঁচনিত কাম কৰাসকলক উৎসাহিত কৰিব বুলি আশা কৰে। তেওঁ লগতে প্ৰতিখন জল জীৱন আঁচনি সঠিক ৰূপায়ণ তথা কাৰ্যক্ষম কৰিবলৈ স্থানীয় ৰাইজৰ সহযোগিতা অতি প্ৰয়োজন বুলিও দোহাৰে। এই পৰিদৰ্শন কালত শিৱসাগৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা ৰাজেন ফুকন, এছ ডি' অ' অজয় কুমাৰ লাহন, এছ অ' অলকেশ কাকতিসহ বহু সংখ্যক বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে শিৱসাগৰ জিলাৰ উপৰি বিশেষজ্ঞ দুজনে চৰাইদেউ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত জলজীৱন আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। এই পৰ্যন্ত ২৭ খনৰো অধিক জল জীৱন মিছন আঁচনি পৰিদৰ্শন কৰিছে দলটোৱে।

## 'মঞ্চৰূপা'ৰ উদ্যোগত আয়োজিত আনুষ্ঠানত অংশ জিলা আয়ুক্তৰ

# ডিব্ৰুগড়ত তিনিদিনীয়াকৈ সুধাকণ্ঠক স্মৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ৬ নবেম্বৰঃ** ডিব্ৰুগড়ৰ অন্যতম সামাজিক- সাংস্কৃতিক অনুষ্ঠান 'মঞ্চৰূপা'ই ৩, ৪ আৰু ৫ নৱেম্বৰত তিনিদিনীয়া ভিন্ন কাৰ্যসূচীৰে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ পুণ্যতিথি উদযাপন কৰে। কাৰ্যসূচী মতে প্ৰথম দিনা, জিলা প্ৰশাসনৰ যুটীয়া উদ্যোগত চৌহদত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্ত্তি প্ৰাঙ্গণকে ধৰি নগৰ আৰু সমীপ অঞ্চলৰ একাধিক স্থানত থকা সুধাকণ্ঠৰ স্মৃতিচিহ্ন পৰিদৰ্শন কৰি পৰিচ্ছন্নতাৰ দিশত শ্ৰমদান কৰা হয়। দ্বিতীয় দিনা ৪ নবেম্বৰত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ যুটীয়া উদ্যোগত 'মঞ্চৰূপা'ই অনুষ্ঠিত কৰে সাংস্কৃতিক সন্ধিয়া 'সুধাকণ্ঠ প্ৰণামো তোমাক’। এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। মঞ্চ উদ্বোধন কৰে প্ৰবীন অভিনেত্ৰী তথা নৃত্যাঙ্গনা ৰঞ্জনা শৰ্মা বৰদলৈয়ে। শিল্পী ৰিণি শৰ্মাৰ কণ্ঠৰ সুধাকণ্ঠৰ এটা অমৰ গীত মুকলি কৰে গুৱাহাটীস্থিত 'জ্যোতি চিত্ৰবন’ৰ উপাধ্যক্ষসুনীল ৰাজকোঁৱৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা উদ্বোধনী গীতৰ পিছতে প্ৰবীন শিল্পী নিলীমা বৰদলৈ, ৰূপনন্দা দত্ত,ড° সুৰজিত বৰকটকী, ইমন সৌৰভ বৰুৱা, তৃষা দৰ্শী গগৈ, ননীমাধৱ বৰকটকী, মামণি বৰকটকীৰ লগতে ছাত্ৰছাত্ৰী সকলৰ বিভিন্ন গীত আৰু নৃত্য উপভোগ্য হৈছিল। লাকী চাংকাকতিৰ স্বৰচিত কবিতা পাঠ আৰু চৈয়দা মাচহুদা ৰহমানৰ সুধাকণ্ঠ ৰচিত কবিতা আবৃত্তিয়ে বিশেষ মাত্ৰা প্ৰদান কৰে। ৫ নৱেম্বৰৰ সামৰণি কাৰ্যসূচীত 'মঞ্চৰূপা'ই আগবঢ়ায় 'গণ-সঙ্গীত’ৰ অনুষ্ঠান। প্ৰথমে বৃহত্তৰ বৰপথাৰৰ যুৱ সংঘ, নাট্য সমাজ, শাখা সাহিত্য সভাকে ধৰি বহুকেইটা অনুষ্ঠানৰ সতে সমস্বৰে পৰিৱেশন কৰে 'মানুহে মানুহৰ বাবে'। তাৰ পিছতেই জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত 'গণ-সঙ্গীত’ৰ অনুষ্ঠানৰ বন্তি প্ৰজ্বালন কৰি 'মঞ্চৰূপা’ৰ শিল্পীবৃন্দৰ সতে দুটিকৈ গণ-সঙ্গীতত অংশ গ্ৰহণ কৰে জিলা আয়ুক্ত বিক্ৰম কৈৰী। মিলন নগৰৰ 'তুলসী গাঁৱ' ৰ শতাধিক ৰাইজৰ উপস্থিতিত 'মঞ্চৰূপা'ৰ গণ-সঙ্গীতৰ কাৰ্যসূচীৰ শুভ সমাপন কৰা হয়। উল্লেখযোগ্য যে, ১৯৫৭ চনত ড° ভূপেন হাজৰিকাই তেখেতৰ সতীৰ্থ ডিব্ৰুগড়ৰ শিল্পী হাচান ছৰিফ আহমদৰ সৈতে ডিব্ৰুগড়ত 'মঞ্চৰূপা'ই প্ৰতিষ্ঠা লাভ কৰিছিল। মঞ্চৰূপাৰ সভাপতি চন্দন পাঠক, সম্পাদক লাকি চাংকাকতি, কাৰ্যকৰী সভাপতি বলিন্দ্ৰ নাথ বৰদলৈ, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী আৰু সম্পাদক চিন্ময় কলিতাই তিনিদিনীয়া কাৰ্যসূচী সফল কৰি তোলাৰ বাবে ৰাইজে কৃতজ্ঞতা জ্ঞাপন কৰে। সমগ্ৰ অনুষ্ঠান লানি পৰিচালনা কৰে 'মঞ্চৰূপা'ৰ সাংস্কৃতিক সম্পাদক শিল্পী হাচান ইকবালে।

# পৰিসংখ্যাবিদ ড০ জ্যোতিপ্ৰসাদ মেধিৰ জীৱন আৰু কৰ্মৰাজিৰ আধাৰত গ্ৰন্থ প্ৰকাশ

**ই-সংবাদ, হাজো, ৬ নৱেম্বৰ :** বিশ্ব বৰেণ্য পৰিসংখ্যাবিদ, গণিতজ্ঞ, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা চাৰিটা স্বৰ্ণ পদকেৰে প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা সত্ৰনগৰী ৰামদিয়া তথা অসমৰ উজ্জ্বল ৰত্ন ড° জ্যোতিপ্ৰসাদ মেধিৰ গুণ-গৰিমা, জীৱন আৰু কৰ্মৰাজিৰ আধাৰত "প্ৰজ্ঞাজ্যোতি ড° জ্যোতিপ্ৰসাদ মেধি" শীৰ্ষক গ্ৰন্থ প্ৰকাশ। উত্তৰ-পূৱ সীমান্ত ৰেলৱে মালিগাঁওৰ অৱসৰপ্ৰাপ্ত মুখ্য বাণিজ্যিক পৰিদৰ্শক তথা সাহিত্যিক মহেন্দ্ৰ নাথ ডেকাৰ নিজাববীয়া প্ৰচেষ্টাত আজি প্ৰকাশ পায় এই গ্ৰন্থখন। গ্ৰন্থখন প্ৰকাশ কৰাৰ পিছতে আজি সাহিত্যিক মহেন্দ্ৰ নাথ ডেকাই সামাজিক মাধ্যম যোগে গ্ৰন্থ খনৰ বেটুপাত প্ৰকাশ কৰি এইদৰে লিখে যে ড° জ্যোতিপ্ৰসাদ মেধিৰ প্ৰতিভা ইমানেই উচ্চ পৰ্যায়ৰ আছিল যে অসমৰ পৰিসীমা ভেদ কৰি ভাৰতৰ সীমাকো চেৰাই বিয়পি পৰিছিল সমগ্ৰ বিশ্বতে। "প্ৰফেছাৰ ইমেৰিটাছ" সন্মানেৰে বিভূষিত ড° জ্যোতিপ্ৰসাদ মেধি কেৱল এগৰাকী ব্যক্তিয়েই নাছিল, তেওঁ আছিল এটা অনুষ্ঠান সদৃশ সুবিশাল ব্যক্তিত্বৰ অধিকাৰী। এনেকুৱা এগৰাকী বিৰল ব্যক্তিত্বৰ অধিকাৰী মহীৰূহৰ বিষয়ে যিমান প্ৰচাৰ হ'ব লাগিছিল সেয়া অদ্যাপি হৈ উঠা নাই। সেয়েহে এনেকুৱা এগৰাকী মনীষীৰ গুণ-গৰিমা আজিৰ প্ৰজন্মৰ মাজত জীৱন্ত কৰি ৰখাৰ মানসেৰে তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ আধাৰত "প্ৰজ্ঞাজ্যোতি ড° জ্যোতিপ্ৰসাদ মেধি" শীৰ্ষক গ্ৰন্থ খন লিখি প্ৰকাশ কৰা হৈছে। আজি প্ৰকাশিত গ্ৰন্থখনৰ আগকথা লিখে অসমৰ বিশিষ্ট চিন্তাবিদ, সুলেখক ময়ূৰ বৰাই। ২০২৪ ইং বৰ্ষটো ড° জ্যোতিপ্ৰসাদ মেধিৰ জন্ম শতবৰ্ষ। এনে এগৰাকী মহান ব্যক্তিৰ জন্ম শতবৰ্ষত তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰে সাহিত্যিক মহেন্দ্ৰ নাথ ডেকাৰ লগতে ৰামদিয়া অঞ্চলৰ সাহিত্যনুৰাগী লোক সকলে।

# ধলা চাহ বাগিচাৰ চাহপাত চুৰিক লৈ উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, ডুমডুমা, ৬ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাঘাটস্থিত শদিয়া ফ্ৰন্টিয়াৰ টি. কোম্পানী প্ৰাইভেট লিমিটেডৰ অধীনস্থ ধলা চাহ বাগিচাত চাহপাত চুৰি হোৱাক কেন্দ্ৰ কৰি আজি পুৱা বাগিচাখনত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হ'য়। জানিব পৰা মতে, আজি কিছুদিনৰ পূৰ্বে ধলা চাহ বাগিছাৰ চাহপাত ধলা বজাৰত চোৰাংকৈ বিক্ৰী হৈছে বুলি বাগিচাৰ পৰিচালক গৰাকীক বাগিচাখনৰ একাংশ চাহ শ্ৰমিকে অৱগত কৰিছিল যদিওঁ বাগিচাৰ পৰিচালকগৰাকীয়ে এই সন্দৰ্ভত কোনো ব্যৱস্থা গ্ৰহণ নকৰে। ঘটনাক লৈ শ্ৰমিকসকল ক্ষোভিত হৈ থকাৰ সময়তে পুনৰ যোৱা দুই নৱেম্বৰৰ দিনা বাগিচাৰ ফেক্টৰীৰ পৰা পুনৰ চাহপাত চুৰি হোৱা বুলি জানিব পাৰি আজি পুৱা বাগিচাখনৰ প্ৰায় দুই শতাধিক শ্ৰমিকে ধলাবজাৰ সমীপৰ বাগিচাৰ ফেক্টৰী ঘেৰাও কৰি চাহপাত চুৰি ঘটনাৰ উচিত তদন্ত বিচাৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পিচত বাগিচাৰ পৰিচালক গৰাকীয়ে বাগিচাৰ স্বত্বাধিকাৰীৰ লগত আলোচনা কৰি বিষয়তো সমাধান কৰিব বুলি শ্ৰমিক সকলক আশ্বাস দিয়াত শ্ৰমিক সকলে প্ৰতিবাদ উঠাই লৈ নিজৰ নিজৰ কামত মনোনিৱেশ কৰে।

## মিছন বসুন্ধৰা ৩.০ চৰ্তহীন ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ দাবীত জোৰ সমদল বাহিৰ

# কমতাপুৰ ৰাজ্য পুনঃ গঠনৰ দাবীত তামুলপুৰত কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**ই-সংবাদ, তামুলপুৰ , ৬ নৱেম্বৰঃ** কোঁচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰা, ঐতিহাসিক পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন কৰা আৰু মিছন বসুন্ধৰা ৩.০ চৰ্তহীন ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ  দাবীত আজি সদৌ তামুলপুৰ জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাই এক জোৰ লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰস্থিত চিলাৰায় ভৱনৰ পৰা এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ কথা আছিল যদিও আৰক্ষীয়ে সমদলটো আগবঢ়াত বাধা প্ৰদান কৰে।  ফলত আৰক্ষী আৰু প্ৰতিবাদকাৰীসকলৰ মাজত হতাহতি লাগে। ইয়াৰ মাজতেই আৰক্ষীৰ বেহুভাঙি হাতত জোৰ হৈ প্ৰতিবাদকাৰীসকল কিছু আগুৱাই যায়। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ হায় হায়, আমাক কমতাপুৰ লাগিবই, হিমন্ত বিশ্ব শৰ্মা হায় হায়, আমাক জনজাতিকৰণ কৰক, এছ টি আমাক লাগিবই , নো এছ টি নো ৰেষ্ট, জয় শুক্লধ্বজ আদি বিভিন্ন শ্লোগান দি উত্তাল কৰি তোলে সমগ্ৰ পৰিৱেশ। তামুলপুৰস্থিত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখৰ পৰা বাহিৰ হোৱা জোঁৰ সমদলটোক আৰক্ষীয়ে বাধা প্ৰদান কৰে যদিও একাংশ প্ৰতিবাদকাৰীয়ে ৰঙিয়া ভূটান পথত জোৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। এই সকল প্ৰতিবাদকাৰীৰেও বিভিন্ন শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। অৱশ্যে কিছু সময় পিছত অতি শান্তিপূৰ্ণ ভাৱে প্ৰতিবাদী কাৰ্যসূচীৰ সামৰণি মাৰে। প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক শংকৰ ৰাজবংশী, সদৌ তামুলপুৰ জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি মতিকান্ত বৰ্মন, সাধাৰণ সম্পাদক মানস দাস, উপদেষ্টা দীপক ৰায় আৰু ভূমিধৰ দাস আদিকে ধৰি শতাধিক ছাত্ৰ নেতা কৰ্মী আৰু জনগোষ্ঠীটোৰ পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ কুমাৰ শৰ্মাক সম্বৰ্ধনা

**ই-সংবাদ, সৰুপথাৰ, ৬ নৱেম্বৰঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত গেলাবিল জি বি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিলীপ কুমাৰ শৰ্মাক আজি ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি সৰুপথাৰ সমজিলাৰ প্ৰশাসনে আজি আনুষ্ঠানিক ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে গোলাঘাট জিলা প্ৰশাসনেও যোৱা ৩ নৱেম্বৰত সাহিত্যিক গৰাকীক সম্বৰ্ধনা জনাইছিল।নিজৰ কষ্টোপাৰ্জিত সমষ্ট ধন ৰাজহুৱা অনুষ্ঠান আদিলৈ দান কৰা আৰু অসমীয়া আৰু ইংৰাজী ভাষাত দুকুৰিৰো অধিক গ্ৰন্থ ৰচনা কৰা সাহিত্যিক শৰ্মালৈ দিয়া উক্ত স্বীকৃতিত বিভিন্ন জনে সন্তুষ্টি প্ৰকাশ কৰিছে।

## ঘাইপথ অৱৰোধঃ কোনো কাৰণতে ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্ত হ'বলৈ নিদিয়াৰ হুংকাৰ

# মাণিকপুৰ ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিৰ প্ৰতিবাদত বিশাল গণ সমাবেশ

**ই-সংবাদ, মাণিকপুৰ, ৬নৱেম্বৰঃ** এফালে বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ, আনফালে মাণিকপুৰৰ ৰাইজৰ বিশাল গণ সমাবেশ অনুষ্ঠিত কৰি ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কাৰ্যসূচী। মাণিকপুৰস্থিত মহকুমা পৰ্যায়ৰ কাৰ্যালয় সমুহ আৰু ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিৰ প্ৰতিবাদত মাণিকপুৰ লক্ষ্মী মন্দিৰ প্ৰাংগনত বিশাল গণ সমাবেশ অনুষ্ঠিত হয়। উল্লেখ্য যে অসম চৰকাৰৰ কেবিনেটত ৰাজ্যৰ আন আন ৩৬ টা ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তি কৰাৰ সিদ্ধান্ত গ্ৰহন কৰাৰ সমান্তৰালকৈ মাণিকপুৰ ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসম চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে বৃহত্তৰ মাণিকপুৰ বাসী ৰাইজ। যোৱা কেইবাদিন ধৰি মাণিকপুৰ ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্ত কৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবীত প্ৰতিবাদ কৰি আহিছে। আজিওঁ মাণিকপুৰ লক্ষ্মী মন্দিৰ প্ৰাংগনত সহস্ৰাধিক স্থানীয় লোকৰ উপস্থিতিত গণ সমাবেশ কৰি ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। হাজাৰ হাজাৰ ৰাইজে সমদল কৰি ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি বিভিন্ন শ্লোগান দিয়ে। ৰাইজৰ প্ৰতিবাদত অসহায় হৈ পৰে আৰক্ষী প্ৰসাশন। ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ ফলত বহু সময় শশ বাহন আবদ্ধ হৈ পৰে। মাণিকপুৰৰ পৰা এটাওঁ চৰকাৰী কাৰ্যালয় বিলুপ্ত হ'ব নিদিয়ে বুলি হুংকাৰ দিয়ে প্ৰতিবাদী ৰাইজে।

## অধ্যাপক ডঃ অংশুমান দাসক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, মৈৰাবাৰী, ৬ নৱেম্বৰঃ** মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সদ্য অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ অংশুমান দাসক আজি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। মহাবিদ্যালয়ৰ ৩৪ নং শ্ৰেণীকোঠাত আজি বিয়লি ১ বজাত অনুষ্ঠিত সভাখনৰ সভাপতিত্ব কৰে অধ্যক্ষ ড০ ৰিয়াজুল হকে, উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ শ্বাহিল ইছলামে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্বহিদুল ইছলামে আঁত ধৰা সম্বৰ্ধনা পৰ্বত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যাপক ড০ অংশুমান দাসক ফুলাম গামোচা, জাপি আৰু সম্বৰ্ধনা পত্ৰেৰে বিদায় সম্বৰ্ধনা জনায়। উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত প্ৰতি বছৰে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰা মৈৰাবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ড০ অংশুমান দাসে প্ৰেৰণা বঁটাৰে সন্মানিত কৰিব বুলি ঘোষণা কৰে। সভাত মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ছাদিকুল ইছলাম, মৈৰাবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰ, কবি-সাংবাদিক খাইৰুল ইছলামে ড০ অংশুমান দাসে শৈক্ষিক আৰু সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ কথা সুঁৱৰি বক্তব্য আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। শেষত সভাৰ সভাপতি ড০ ৰিয়াজুল হকে সাৰুৱা ভাষণ আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলক আদৰ্শৱান শিক্ষাৰ্থী হোৱাৰ শপত বাক্য পাঠ কৰায়।

# ছিপাঝাৰত ছহিদ বেদীৰ আধাৰশিলা স্থাপন

**ই-সংবাদ , ছিপাঝাৰ , ৬ নৱেম্বৰ :** দৰং জিলাৰ ছিপাঝাৰস্থ ছহিদ ভৱন প্ৰাঙ্গনত মঙ্গলবাৰে এক মাঙ্গলিক কাৰ্যসূচীৰে ছহিদ বেদীৰ আধাৰশিলা স্থাপন কৰা হয় । ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত অনুষ্ঠানটিত ছহিদ বেদীৰ আধাৰশিলা স্থাপন কৰে প্ৰাক্তন ছাত্ৰ নেতা তথা ছিপাঝাৰ পৌৰ সভাৰ খণ্ড আয়ুক্ত দুলাল ডেকাই । অনুষ্ঠানটিত ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি লক্ষ্মীনন্দন বনিয়া , সাধাৰণ সম্পাদক চুমন বৰদলৈ , ছহিদ ভৱন নিৰ্মাণ সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তিলক চন্দ্ৰ চৌধুৰী , সম্পাদক খৰ্গেশ্বৰ নাথ , দৰং জিলা ছাত্ৰ সন্থাৰ সম্পাদক হৃদয় বৰুৱা , প্ৰাক্তন ছাত্ৰ নেতা ক্ৰমে ৰাজীৱ শৰ্মা , বিষ্ণু শৰ্মা , মদন চন্দ্ৰ নাথ , সমুদ্ৰ শৰ্মা , নৱ শইকীয়া , লাৱন্য মহন্ত , বিচিত্ৰ শৰ্মা আদিৰ লগতে ছহিদ পৰিয়াল আৰু স্থানীয় একাংশ ৰাইজে অংশ গ্ৰহণ কৰে ।

# কলগাছিয়াত ভাঙৰ খেতি উচ্ছেদ নিচামুক্ত কমিটি আৰু ৰাইজৰ

**ই-সংবাদ কলগাছিয়া, ৬ নৱেম্বৰ:** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱত আজি নিচামুক্ত কমিটি আৰু স্থানীয় ৰাইজে চলায় ভাং খেতিৰ বিৰুদ্ধে বৃহৎ অভিযান। জানিব পৰা মতে বালাৰপাথাৰ গাঁৱত কেইবাজনো ভাং ব্যৱসায়ীয়ে নিজ গৃহত ভাং গছ ৰোপন কৰি দীৰ্ঘদিন ধৰি চলাই আহিছিল অবৈধ ভাংৰ ৰমৰমীয়া ব্যৱসায়। কিন্তু আজি বালাৰপাথাৰ গাঁৱৰ নিচামুক্ত কমিটী আৰু ৰাইজৰ সহযোগত গোপন খবৰৰ ভিত্তিত গাওঁ খনৰ একাংশ ব্যৱসায়ীৰ ঘৰে ঘৰে গৈ নিষিদ্ধ ভাং গছ ৰোপণ কৰা সমগ্ৰ গছ কাটি দিয়ে। কিন্তু একাংশ ব্যৱসায়ীয়ে ভাং গছ কটাত বাধা প্ৰদান কৰাত উপায়ন্তৰ হৈ কলগাছিয়া আৰক্ষীক খবৰ দিয়ে। পিছ মূহুৰ্তত ঘটনাস্থলীত কলগাছিয়া আৰক্ষীৰ উপস্থিতিত ৰাইজে ভাং গছ সমুহ কাটি দিয়ে। উল্লেখযোগ্য যে, গাওঁ খনত এনেদৰে একাংশ ব্যৱসায়ীয়ে ঘৰে ঘৰে ভাং খেতি কৰাত দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে চুৰি, ডকাইতিৰ দৰে অসামাজিক কাৰ্যকলাপ। এই ক্ষেত্ৰত কলগাছিয়া আৰক্ষী, নিচামুক্ত কমিটি আৰু ৰাইজে ভাং ব্যৱসায়ী সকলক ভৱিষ্যতে এনে অবৈধ কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। ৰাইজে আৰক্ষী আৰু নিচামুক্ত কমিটিৰ এনে পদক্ষেপক ভূঞসী প্ৰসংশা কৰে।

# কাকপথাৰ ক'চিং ছেমিত

**ই-সংবাদ, কাকপথাৰ, ৬ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত ১ নং সৰু ডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষৰ গৰাকী ৰাজ পেঞ্চনাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে কাকপথাৰ ক'চিং চেণ্টাৰে। দ্বিতীয় ৰাউণ্ডৰ দ্বিতীয়খন খেলত আজি কাকপথাৰ কচিং চেণ্টাৰে শদিয়া আগাম এফ চিক ২-০ গ'লত পৰাস্ত কৰে। কাকপথাৰ কচিং চেণ্টাৰৰ হৈ খেলৰ প্ৰথমাৰ্ধৰ ৩:৩০ মিনিটত বুলুয়ে প্ৰথমটো গ'ল স্ক'ৰ কৰে আৰু খেলৰ দ্বিতীয়াৰ্দ্ধত পুনৰ কাকপথাৰ কচিং চেণ্টাৰৰ হৈ ৪৪ মিনিটত কিৰণে দ্বিতীয়টো গ'ল স্ক'ৰ কৰে। এই জয়েৰে দলটোৱে ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হয়। বৃহস্পতিবাৰে লেকাং ইউনাইটেডে বাৰেকুৰি এফচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# টাইকোৱাণ্ডোত ৰঙিয়া দলৰ সাফল্য



**ই-সংবাদ, ৰঙিয়া, ৬ নৱেম্বৰঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত ৩ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত তৃতীয় বাৰ্ষিক সদৌ অসম আন্তঃবিদ্যালয় টাইকোৱাণ্ডো প্ৰতিযোগিতাত ৰঙিয়া দলে বিশেষ সাফল্য অৰ্জন কৰে। ৰঙিয়া টাইকোৱাণ্ডো সন্থাৰ অধীনত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ১৩ গৰাকীকৈ খেলুৱৈয়ে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাখনত ৫ বছৰ অনুৰ্ধ্বৰ ছোৱালী শাখাত দিছা ডেকাই ৰূপৰ পদক, ৮ বছৰ অনুৰ্ধ ল'ৰা শাখাত চৈয়দ তেজচ আহমেদ আৰু নিবিৰজ্যতি বড়োৱে সোণৰ পদক, চাজিল ইকবাল, ৰোজ আহমেদ, ধনুজ প্ৰীতম ডেকাই ব্ৰঞ্জৰ পদক, ছাবজুনিয়ৰ ল'ৰা শাখাত অভিজিত দাস আৰু মুগ্ধজ্যোতি ডেকাই ব্ৰঞ্জৰ পদক, ছোৱালী শাখাত মানসী কলিতাই ৰূপৰ পদক, তানিস্থা বড়োৱে ব্ৰঞ্জৰ পদক, কেডেট ছোৱালী শাখাত অৰ্পিতা দাস আৰু জয়তা চৌধুৰিয়ে ব্ৰঞ্জৰ পদকৰ লগতে ছাব-জুনিয়ৰ ছোৱালী শাখাত ৰেজিনা বেগমে ৰূপৰ পদক লাভ কৰে।



ৰিয়েল মাদ্ৰিদক হৰুৱাই মিলানৰ খেলুৱৈৰ উল্লাস

## মিলানৰ হাতত ৩-১ গ'লত পৰাস্ত একাধিক তাৰকাৰে সমৃদ্ধ দল

# চেম্পিয়নছ লীগত অঘটন, ৰিয়েল মাদ্ৰিদৰ ধাৰাবাহিক ব্যৰ্থতা

**পেৰিছ, ৬ নৱেম্বৰঃ** চেম্পিয়নছ লীগত আকৌ এক অঘটনৰ নিশা দেখা গ'ল বুধবাৰে। ৪খন মেচৰ প্ৰথমখনত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয় ৰিয়েল মাদ্ৰিদে। এল ক্লাছিক'ত পৰাজয়ৰ পিছত ৰিয়েলৰ বাবে এই মেচখনত প্ৰত্যাৱৰ্তন জৰুৰী আছিল যদিও সেয়া কৰাত ব্যৰ্থ হৈ পৰে। একাধিক তাৰকা খেলুৱৈ থকা সত্বেও পৰাস্ত হ'বলগীয়া হয় দলটো। এল ক্লাছিক'ৰ পৰাজয়ৰ পিছত বেলন ডি অৰ বঁটা হেৰুৱাই ৰিয়েল মাদ্ৰিদে একেৰাহে দুটা জোকাৰণিৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰ পিছত চেম্পিয়নছ লীগত এনচেল'টিৰ পূৰ্বৰ দল এচি মিলানৰ বিৰুদ্ধে অৱতীৰ্ণ হয়। এই মেচখনত ৩-১ গ'লত পৰাস্ত হয় ৰিয়েল মাদ্ৰিদ। ঘৰুৱা ক্ষেত্ৰত একেৰাহে দুখন মেচত পৰাস্ত হ'বলগীয়া হয় দলটো। এই ছিজনত তৃতীয়খন মেচত পৰাস্ত হয় ৰিয়েল। যোৱা ছিজনত দলটোৱে মাত্ৰ দুখন খেলত পৰাস্ত হৈছিল। খেলখনৰ আৰম্ভণিৰে পৰাই আক্ৰমণাত্মক মুডত আছিল ৰিয়েল। আৰম্ভণিতে এমবাপেই দুটাকৈ গ'লৰ সুযোগ হেৰুৱাইছিল। মিলানে অৱশ্যে প্ৰতিটো মুহূৰ্ততে আক্ৰমণ চলাই আছিল। ১২ মিনিটত প্ৰথমটো গ'ল স্ক'ৰ কৰে মিলানে। প্ৰথমটো গ'লৰ পিছত মিলান মানসিকভাৱে শক্তিশালী হৈ পৰে। বিপৰীতে ৰিয়েলে উদ্যম হেৰুৱাই পেলায় আৰু কেবাটাও সুযোগ নষ্ট কৰে। ৩৮ মিনিটত মিলানৰ হৈ আলভাৰো মৰাটাই দ্বিতীয়টো গ'ল দিয়ে। তিজানীয়ে শেষৰটো গ'ল স্ক'ৰ কৰে। মিলানৰ দৰ্শনীয় খেলৰ সমুখত তাৰকাৰ সমৃদ্ধ ৰিয়েল মাদ্ৰিদে বহু চেষ্টা কৰিও সফল হ'ব নোৱাৰিলে। ৰিয়েলৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে ভিনিচিয়াছে।

# তামিলনাডুক বান্ধি ৰাখিছে অসমে

**গুৱাহাটী, ৬ নৱেম্বৰঃ** ৰঞ্জি ট্ৰফীৰ এলিট পৰ্যায়ৰ গ্ৰুপ 'ডি'ৰ এখন গুৰুত্বপূৰ্ণ মেচত অসমে তামিলনাডু দলৰ বিৰুদ্ধে তুলনামূলকভাৱে সুন্দৰ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। গুৱাহাটীত চলি থকা মেচখনত টছত জয়ী হৈ ফিল্ডিঙৰ সিদ্ধান্ত লোৱা অসমে প্ৰথম দিনা বলিঙত উল্লেখনীয় সফলতা লাভ কৰে। আলহী দল তামিলনাডুৱে প্ৰথম দিনটোত ৭ উইকেট হেৰুৱাই নিজৰ প্ৰথম ইনিংছত সংগ্ৰহ কৰিছে ২৯৯ ৰান। দলটোৰ হৈ চি সিদ্ধাৰ্থই সৰ্বাধিক ৯৪ আৰু বিজয় শংকৰে ৭৬ ৰানৰ বৰঙণি আগবঢ়ায়। বিপৰীতে অসমৰ হৈ দৰ্শন ৰাজবংশী, স্বৰূপম পুৰকায়স্থ আৰু ৰাহুল সিং প্ৰত্যেকে ২টাকৈ উইকেট দখল কৰে। আনটো উইকেট লাভ কৰে মুখতাৰ হুছেইনে। দিনান্ত তামিলনাডুৰ মহম্মদ আলীয়ে ২৭ আৰু ছনু যাদৱে ১২ ৰান কৰি ক্ৰিজত অপৰাজিত হৈ আছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি